DAILY ASSAM

বিষয়বস্তু
৩

# জাতি, বৰ্ণ আৰু শ্ৰেণী
## প্ৰাচীন সমাজ
## (আনুমানিক খ্ৰীষ্টপূৰ্ব ৬০০ৰ পৰা ৬০০ খ্ৰীষ্টাব্দলৈকে)


পূৰ্বৰ অধ্যায়টোত আমি আনুমানিক খ্ৰীষ্টপূৰ্ব ৬০০ৰ পৰা ৬০০ খ্ৰীষ্টাব্দলৈ বহুতো আৰ্থিক আৰু ৰাজনৈতিক বিৱৰ্তন দেখিলোহঁক। এনে ধৰণৰ বিৱৰ্তনে সমাজৰ ওপৰতো যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। এইক্ষেত্ৰত বনাঞ্চললৈ কৃষিৰ সম্প্ৰসাৰণে সেই অঞ্চলৰ লোকৰ জীৱনলৈ অনা বিৱৰ্তন তথা পৰিৱৰ্তনৰ কথাকে আমি উনুকিয়াব পাৰো। ইয়াৰ বাহিৰে কাৰুশিল্পীসকলৰ জীৱনলৈ অহা পৰিৱৰ্তনে তেওঁলোকক এটা বিশেষ সামাজিক গোঠীলৈ ৰূপান্তৰ কৰিছিল আৰু একেদৰে সম্পদৰ অসম বিতৰণেও তীক্ষ্ণতৰ কৰি তুলিছিল সামাজিক ব্যৱধান।

ঐতিহাসিকসকলে সচৰাচৰ এনে ধৰণৰ ক্ৰমবিকাশবোৰ বুজিবলৈ পুৰণি পুথি-পাজিৰ আশ্ৰয় লয়। মূল পুথিবোৰৰ কিছুমানে সামাজিক আচৰণৰ স্বীকৃত ৰীতি-নীতি সাবস্ত্য কৰে আৰু আন কিছুমানে এক বহলভিত্তিত সামাজিক অৱস্থা আৰু অভ্যাসসমূহৰ বৰ্ণনা দিয়াৰ লগতে কোনো কোনো ক্ষেত্ৰত মতামত দিয়াও দেখা যায়। লিপিসমূহৰ যোগেদি আমি কেতিয়াবা সমাজৰ কোনো কোনো নায়ককো চকা-চন্দাকৈ দেখিবলৈ পাওঁহক। প্ৰত্যেকখন মূল পুথি (আৰু লিপি) যে সামাজিক শ্ৰেণী বিশেষৰ আশা উপস্থাপনৰ উদ্দেশ্যহে লিখা হয়, সেইটোও আমাৰ বোধগম্য হ'ব। সেইবাবে কোনে, কি আৰু কাৰ বাবে লিখিছে তাৰ প্ৰতি আমি মন-কাণ দিয়াটো যুগুত। মূল পাঠ্যৰ ভাষা আৰু কিদৰে ইয়াক প্ৰচাৰ কৰা হৈছে সেইটোও আমি গমি-পিটি চাব লাগে। মূল পাঠ ব্যৱহাৰৰ ক্ষেত্ৰত অৱলম্বন কৰা সাৱধানতাই সামাজিক ইতিহাসক গঢ় দিয়া মনোভাৱ আৰু অভ্যাসসমূহক জোৰা দি একলগ কৰাত আমাক সহায় কৰে।



*নক্সা ৩.১*
*আনুমানিক ১৭ শতিকাত পশ্চিমবঙ্গত প্ৰাপ্ত মহাভাৰতৰ এটা দৃশ্য থকা পোৰামাটিৰ ভাস্কৰ্য*

এক বহল পৰিসীমাৰ অন্তৰ্গত সামাজিক শ্ৰেণীবিভাগ আৰু পৰিস্থিতিক প্ৰতিফলন কৰি ৰচিত মহাভাৰতত বৰ্তমানলৈকে পংক্তিৰ সংখ্যা ১০০০০০ৰো অধিক। যথাযথ গুৰুত্ব সহকাৰে আমি উপ-মহাদেশখনৰ অন্যতম আপুৰুগীয়া মহাকাব্যখনক (পটুৱৈসকলৰ) আলোচনাৰ মাজলৈ আনিছো। আনুমানিক খ্ৰীষ্টপূৰ্ব ৫০০ মানৰ পৰা ৰচনা কৰিবলৈ আৰম্ভ কৰা এই বৃহদাকাৰ পুথিখন লিখি উলিয়াবলৈ লাগিছিল প্ৰায় ১০০০ বছৰ। মহাকাব্যখনৰ কিছুমান কাহিনী ইয়াৰো বহু আগৰে পৰা ৰচিত আৰু প্ৰচাৰিত হৈছিল যেন লাগে। মহাভাৰতৰ মূল কাহিনীটো দুদল সম্পৰ্কীয় ভাই-ককাইৰ যুঁজ-বাগৰক লৈ ৰচিত হৈছে। তদুপৰি, পুথিখনত বিভিন্ন সামাজিক গোষ্ঠীৰ বাবে আচাৰ-ব্যৱহাৰ, নীতি সম্বলিত ভালেমান ধাৰাও সংযোজিত হৈছে। সদায় নহ'লেও কাচিৎ এনে ধাৰাসমূহ কাব্যখনৰ প্ৰধান চৰিত্ৰসমূহেও মানি চলিছিল যেন লাগে। স্বীকৃত নিয়মবোৰৰ সৈতে আপোচ কৰা নাইবা ইয়াৰ পৰা আঁতৰি থকাটোৱে কি সূচায় বাৰু?



भाण्डं                [2. 19. 19

मागधानां सुरुचिरं चैत्यकान्तं समाद्रवन् ।
शिरसीव जिघांसन्तो जरासंधजिघांसवः ॥ १७
स्थिरं सुविपुलं शृङ्गं सुमहान्तं पुरातनम् ।
अर्चितं माल्यदामैश्च सततं सुप्रतिष्ठितम् ॥ १८
विपुलैर्बाहुभिर्वीरास्तेऽभिहत्याभ्यपातयन् ।
ततस्ते मागधं दृष्ट्वा पुरं प्रविविशुस्तदा ॥ १९

C. 2. 817
B. 2. 21. 2
K. 2. 21. 2

श्रुत्वा नादं महाघोरं गिरिव्रजनिवासिनः ।
— (L. 2) D2.4 नानाविधास; T1 आयायुधी (for नानायुधास). ]

17 G3 om. 17 (cf. v.l. 16). Dn Cn read 17ab (for the first time) after 14, *repeating* it here. — a) B1 च सुचिरं; Dn (first time) सु (for सु-). — b) K3 Ñ1 V1 B3.5.5 D3-6 चैत्यकं त (K3 च); B1 चैत्रकांतं; B6 D3 G1.4-6 M चैत्यं कांतं; Dn (second time) चैत्यकं ते; D1 चैत्यं कैतुं; G3 चैत्यकाग्रं (for चैत्यकान्तं). Cn cites चैत्यकं both times; Cd cites चैत्यं; Cv perhaps चैत्यकं ते. See Addenda. Ś1 अपाद्रवन्; S (G3 om.) महाद्रुमं (for समाद्रवन्). K3 चैत्यैरुच्चसमाद्रवत् (sic); B4 चैत्रकं समुपाद्रवन्; Dn (first time) चैत्यकांतरमाद्रवन्. — c) Ś1 K4 शिरोसीव; D1.2 शरसीव; G6 जरसीव; Cv as in text. Ś1 K B1.4.5 D (except D1.2) समाजंतो; G2 तदा जघ्नुः; Cv as in text. — d) B D (except D4) G1.2 M जरासंधं जि°; Cv as in text.

18 G3 om. 18 (cf. v.l. 16). — a) G2 स्थिरं (for स्थिरं). G2 शिंगं (for शृङ्गं). G1.6 सुस्थिरं विपुलं शृंगं. — b) Ś1 Ñ1 V1 B D G2 सुमहत्सत्पुरा°. — c) B1.5 अंचितं (for अर्चितं). Ś1 K4 माल्यगंधैश्च; B3-5 Dn D3-6 गंधमाल्यैश्च; G2 गंधपुष्पाद्यैः; Cv as in text. — d) V1 सुकृतं (for सततं).

19 a) D1.2 बहुभिर्. D4 वारास; D6 चारास (for वीरास). — b) V1 B3.5.6 D2 T1 G1 निहत्य; Cv as in text. Ś1 K6 भ्यपातयन्; V1 B3 [अ]भिद्रार°; B2 D1.2 [अ]भिपात°; M3 [अ]भ्यपालयन्; Cv as in text. G2 ते बलादभ्यताडयन्. — c) B3.4 विविशुः; G1 मागधान् (for मागधं). Ñ1 वीराः; V1 B Dn3 D3-6 हृष्टाः; S (except G1.2 M3) हृष्टं (for दृष्ट्वा). — d) T1 G3-5 M हृष्टाः; G1 हृष्टा (for पुरं). K B6 D1.2 तद्विविशुः; V1 B3.4 दैववशात् (for प्रविविशुः). B3 च ह (for तदा). G2 प्रहृष्टा राजमार्गतः. — S ins. (Cv glosses) after 19: Dn (!) D4 (transposing the pādas!) ins. after 20ab (see variants below):

105 ]

*নক্সা ৩.২*
*সমালোচনামূলক সংস্কৰণত উল্লেখিত এটি ধাৰা। ডাঙৰ আখৰেৰে লিখা ধাৰাটো মূল পুথিৰ এটা অংশ। ক্ষুদ্ৰ আখৰসমূহে সাৱধানতাৰে গুণানুসৰি পাণ্ডুলিপিসমূহৰ মাজত থকা বৈষম্যবোৰৰ তালিকা প্ৰস্তুত কৰিছে।*

## ১. মহাভাৰতৰ সমালোচনামূলক সংস্কৰণ

১৯১৯ চনত ভাৰতৰ প্ৰখ্যাত সংস্কৃত ভাষাবিদ ভি এছ সুকথাঙ্কৰৰ নেতৃত্বত এটি অতি উচ্চাকাংক্ষী কাৰ্যপৰিকল্পনা হাতত লোৱা হয়। সেইমতে, কেইবাডজন পণ্ডিতেৰে গঠিত এটা দলে মহাভাৰতৰ এটা সমালোচনামূলক সংস্কৰণৰ কামত ব্ৰতী হয়। এই পৰিকল্পনামতে কি কৰিবলৈ বিচৰা হৈছিল বাৰু? প্ৰথম অৱস্থাত ই মনস্থ কৰিছিল যে, দেশখনৰ বিভিন্ন ভাগৰ পৰা বিভিন্ন লিপিত লিখা মহাভাৰতৰ যিবোৰ সংস্কৃত পাণ্ডুলিপি আছে সেইবোৰ পাৰ্যমানে সংগ্ৰহ কৰি অনা হওক।

উক্ত পণ্ডিতৰ দলটোৱে প্ৰথমে এনে প্ৰতিটো পাণ্ডুলিপিৰ পদ্যৰ স্তৱকসমূহৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ উলিওৱাৰ এটা উপায় অভ্যাস কৰি লৈছিল। অধিকসংখ্যক সংস্কৰণৰ যিবিলাক স্তৱকত সাদৃশ্য দেখা গৈছিল সেইবোৰ একগোট কৰি কেইবাখন গ্ৰন্থত প্ৰকাশ কৰা হৈছিল। এই গ্ৰন্থসমূহৰ মুঠ পৃষ্ঠা হৈছিলগৈ ১৩০০০তকৈও অধিক। উল্লেখিত পৰিকল্পনাটো সম্পূৰ্ণ কৰোতে লাগিছিল মুঠ ৪৭ বছৰ। এইক্ষেত্ৰত দুটা বিষয় সুস্পষ্ট হৈছিল— প্ৰথমটো হৈছে যে, উত্তৰে কাশ্মীৰৰ পৰা নেপাল আৰু দক্ষিণে কেৰেলাৰ পৰা তামিলনাডুলৈকে সমগ্ৰ উপ-মহাদেশখনত প্ৰাপ্ত সংস্কৃত সংস্কৰণসমূহৰ মাজত বহুতো সাদৃশ্য আছে আৰু দ্বিতীয়তে, দেখা গৈছিল যে কেইবা শতাব্দী ধৰি যিধৰণে ইয়াৰ পাঠসমূহ সংক্ৰমণ কৰা হৈছিল, তাৰফলত, ইয়াত সংযোজিত হৈছিল এক বিৰাট আঞ্চলিক তাৰতম্য। এনে তাৰতম্যসমূহৰ প্ৰমান লিপিবিদ্ধ কৰাত অন্তত সেইবোৰক স্থান দিয়া হৈছিল পুথিসমূহৰ ভাষ্যমূলক টীকা আৰু পৰিশিষ্টত। তাৰতম্যসমূহে মুঠ ১৩০০০ পৃষ্ঠাৰ আধাতকৈও অধিক ঠাই অধিকাৰ কৰিছিল।

এক হিচাপে চাবলৈ গ'লে, এহাতে কৰ্তৃত্বশীল পৰম্পৰা আৰু আনহাতে হতোৎসাহ নোহোৱা স্থানীয় ধাৰণা আৰু অভ্যাসৰ মাজত কথোপকথন মাজেদি যি এক জটিল প্ৰক্ৰিয়াৰে প্ৰাচীন (আৰু পৰৱৰ্তী) সামাজিক ইতিহাসক গঢ় দিয়া হৈছে, এই তাৰতম্যসমূহ তাৰেই প্ৰতিফলন। এনে কথোপকথন তথা সংলাপসমূহৰ চৰিত্ৰ কিছুমান মুহূৰ্তৰ সংঘাত আৰু একমত উভয়ৰে দ্বাৰা অঙ্কিত হৈছে।

ব্ৰাহ্মণসকলৰ দ্বাৰা আৰু তেওঁলোকৰ বাবে লিখা কিছুমান পাঠ্যৰ পৰা প্ৰধানতঃ এই প্ৰক্ৰিয়াবোৰ আমাৰ বোধগম্য হৈছে। ঊনৈশ আৰু কুৰি শতিকাৰ ঐতিহাসিকসকলে পোন প্ৰথমে সামাজিক ইতিহাস ৰচনাৰ বিষয়বোৰ অন্বেষণ কৰিবলৈ লওঁতে এই পাঠসমূহত লিখা প্ৰতিটো বিষয় বাস্তৱত সংঘটিত হোৱা বুলি ভাবি ইয়াৰ বাহ্যিক মূল্য গ্ৰহণ কৰিবলৈ উদ্যত হৈছিল। অৱশ্যে, পৰৱৰ্তী কালত পালি, প্ৰাকৃত আৰু সংস্কৃত ভাষাত লিখা অন্যান্য মৌলিক পুথি-পাজি অধ্যয়নে তেওঁলোকক দেখুৱাই দিছিল যে, আদৰ্শ চানেকি বুলি গণ্য কৰা সংস্কৃত পাঠ্যসমূহৰ ধাৰণাসমূহ থোৰতে যদিও কৰ্তৃত্বশীল বুলি স্বীকাৰ কৰা হয়, সেই ধাৰণাসমূহ কেতিয়াবা প্ৰশ্নৰ সন্মুখীন নোহোৱা নহয় আৰু কোনো কোনো ক্ষেত্ৰত সেইবোৰ আনকি প্ৰত্যাখিত হোৱাও দেখা যায়। সেইবাবে, ঐতিহাসিকসকলে কিদৰে সামাজিক ইতিহাস পুনৰ গঠন কৰে সেইটো নিৰীক্ষণ কৰোতে আমি এনেবোৰ কথা মনত ৰখাটো নিতান্ত আৱশ্যক।

DAILY ASSAM



## ২. জ্ঞাতি আৰু বিবাহ
## বহুবোৰ বিধি-বিধান আৰু বিভিন্ন ব্যৱস্থাসমূহ

### ২.১ পৰিয়ালৰ আঁতি-গুৰি আৱিস্কাৰ

সাধাৰণতে, পাৰিবাৰিক জীৱন সম্বন্ধীয় কিছুমান বিষয় আমি প্ৰায় বলপূৰ্বকভাৱে অনুমান কৰি তথা ধৰি লওঁ। কিন্তু তোমালোকে নিশ্চয় মন কৰিছা যে, আটাইবোৰ পৰিয়াল একে নহয়। পৰিয়ালসমূহৰ সদস্যসংখ্যা, ইজনৰ সৈতে সিজনৰ সম্বন্ধ আৰু আনকি তেওঁলোকে একগোট হৈ কৰা বিভিন্ন কাৰ্যকলাপৰ ক্ষেত্ৰতো বহুত পাৰ্থক্য থাকে। আনহাতে, একেটা পৰিয়ালৰ সদস্যসকলে প্ৰায়ে আহাৰ গ্ৰহণ, পূজা-পাতল, সা-সম্পত্তি ভোগ আৰু ঘৰচীয়া জীৱ-জন্তু পালন আদিও একেলগে কৰে। পৰিয়ালসমূহ সাধাৰণতে পৰস্পৰ সংযোগ থকা এটা বিস্তৃত গোটৰ অংশ বিশেষ আৰু এই সম্পৰ্ক বুজাবলৈ সচৰাচৰ ব্যৱহৃত হোৱা শব্দটো হ'ল জ্ঞাতি। যেতিয়া পৰিয়ালৰ বান্ধোন 'প্ৰাকৃতিক' বুলি কোৱা হয় আৰু ইয়াত তেজৰ সম্পৰ্ক থাকে তেন্তে ইয়াক বহুধৰণে ব্যাখ্যা কৰা হয়। উদাহৰণস্বৰূপে, কোনো কোনো সমাজে সম্বন্ধীয় বাই-ভনী, ভাই-ককাই নাইবা আত্মীয়ৰ ক্ষেত্ৰত সম্পৰ্কৰ প্ৰশ্নত ইয়াক তেজৰ সম্পৰ্ক বুলি মানে যদিও, আন কিছুমান সমাজে সেইটো নামানে।


ঐতিহাসিকসকলৰ পক্ষে অতীজৰ সমাজসমূহত বাচকবনীয়া লোকসকলৰ সম্ভেদ উলিওৱাটো যথেষ্ট উজু যদিও সাধাৰণ লোকৰ সাদৃশ্যৰ উৰাদিহ পুণৰ নিৰ্মাণ কৰাটো বহু পৰিমাণে অধিক কষ্টসাধ্য। ঐতিহাসিকসকলে পৰিয়াল আৰু জ্ঞাতি সম্বন্ধে থকা দৃষ্টিভঙ্গীসমূহো অনুসন্ধান কৰি সেইবোৰ ব্যাখ্যা কৰিবলৈ যত্ন কৰে। এনে কৰাটো নিশ্চয় এক গুৰুত্বপূৰ্ণ পদক্ষেপ। কাৰণ এনে পদক্ষেপে মানুহৰ মনোভাৱ সম্বন্ধে গভীৰ দৃষ্টিপাতৰ সুবিধা দিয়ে। কিছুমান ক্ষেত্ৰত দৃষ্টিভঙ্গী বা ধাৰণাই তেওঁলোকৰ কাৰ্যকলাপৰ সাল-সলনি ঘটোৱাটোও অসম্ভৱ নহয়।

> **পৰিয়াল আৰু জ্ঞাতিৰ অৰ্থ**
>
> সংস্কৃত পাঠ্যত পৰিয়াল বুজাবলৈ কুল আৰু বহলভাৱে পাৰস্পৰিক সংযোগ থকা স্বজনৰ ক্ষেত্ৰত জ্ঞাতি শব্দটো ব্যৱহৃত হয়। সেইদৰে, একে বংশৰ আদি পুৰুষৰ পৰা উদ্ভাৱন তথা বংশ-পৰম্পৰাৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা শব্দটো হৈছে বংশ।

### ২.২ পিতৃসূত্ৰৰ আদৰ্শ

স্বজন তথা জ্ঞাতিৰ সম্পৰ্ক সঠিক কেতিয়া সলনি হ'ল সেই বিন্দুটো আমি চিনাক্ত কৰিব পাৰিমনে? এটা দিশৰ পৰা চাবলৈ গ'লে মহাভাৰতৰ কাহিনীটোত এনেকুৱা এটা বিন্দুৰেই সন্ধান দিয়া হৈছে। কোনো এখন জনপদত (দ্বিতীয় অধ্যায়ৰ ১ নম্বৰ মানচিত্ৰখন চোৱা) আধিপত্য কৰা কুৰু নামৰ এক ৰাজবংশৰ দুদল সম্পৰ্কীয় ভাই-ককাই কৌৰৱ আৰু পাণ্ডৱৰ মাজত ভূমি আৰু ক্ষমতালৈ কিদৰে হতাহতি হৈছিল তাৰেই কাহিনী সন্নিৱিষ্ট হৈছে এই মহাকাব্যখনত। অৱশেষত, এই দ্বন্দ্ব এখন যুঁজত শেষ হ'লগৈ আৰু সেই যুঁজত জয়লাভ কৰিলে পাণ্ডৱসকলে। ইয়াৰ পিছত পিতৃসূত্ৰে উত্তৰাধিকাৰৰ দাবীটো উপস্থাপন হ'ল। মহাভাৰতৰ কাহিনী ৰচিত হোৱাৰ বহু পূৰ্বৰে পৰা পিতৃসূত্ৰে উত্তৰাধিকাৰৰ বিধান আছিল আৰু এই মহাকাব্যৰ মূল কাহিনীটোৰে এইটো যে এটা মূল্যৱান বিধান আছিল সেইটোৰেই পুনৰ দৃঢ়ভাৱে প্ৰতিপন্ন কৰিছে। এই বিধানমতে, পিতৃৰ মৃত্যুৰ পিছত পুত্ৰসকলে তেওঁৰ সম্পদ (ৰজাৰ ক্ষেত্ৰত সিংহাসনকে ধৰি) দাবী কৰিব পাৰে।

> পিতৃসূত্ৰে শব্দটোৰ অৰ্থ হ'ল পিতাৰ পৰা পুত্ৰ, নাতি ইত্যাদিৰ জন্মসূত্ৰ বিচাৰি উলিওৱা। সেইদৰে মাতৃৰ পৰা জন্মসূত্ৰ বিচাৰিলে মাতৃসূত্ৰ শব্দটো ব্যৱহাৰ হয়।




অধিকাংশ শাসক ৰাজ পৰিয়ালে (আনুমানিক খ্ৰীষ্টপূৰ্ব ৬০০ৰ পৰা) উপৰোক্ত বিধান মানি চলিছিল। অৱশ্যে, কিছুমান ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম নঘটাও নহয়, কেতিয়াবা মৃত ৰজাৰ পুত্ৰ নাছিল, কোনো কোনো ক্ষেত্ৰত ভাই-ককাইসকলে ইজনৰ পিছত সিজনকৈ সিংহাসন আৰোহণ কৰিছিল, কেতিয়াবা আত্মীয়-স্বজনে সিংহাসন দাবী কৰিছিল আৰু অতি অসাধাৰণ পৰিস্থিতিত প্ৰভাৱতী গুপ্তাৰ দৰে মহিলায়ো (দ্বিতীয় অধ্যায়ত দ্ৰষ্টব্য) ক্ষমতা প্ৰয়োগ কৰিছিল।

পিতৃসূত্ৰে উত্তৰাধিকাৰৰ বিষয়টোৱে শাসক পৰিয়ালসমূহৰ ক্ষেত্ৰত সমানভাৱে গুৰুত্ব লাভ কৰা নাছিল। ঋকবেদৰ দৰে ধৰ্মীয় পাঠ্যৰ মন্ত্ৰসমূহতো এইটো দৃষ্টিগোচৰ হৈছে। সম্ভৱতঃ ব্ৰাহ্মণকে ধৰি উচ্চ মান-মৰ্যাদা দাবী কৰা সম্পদশালী লোকসকলো এনে দৃষ্টিভঙ্গীৰেই সমভাগী আছিল।

**উৎস ১**

## 'সুপুত্ৰকসকল'ক জন্ম দিয়া

আনুমানিক খ্ৰীষ্টপূৰ্ব এহেজাৰত ঋকবেদত সন্নিৱিষ্ট কৰা এটা মন্ত্ৰৰ উদ্ধৃতি তলত দিয়া হৈছে। বিবাহ কাৰ্য পৰিচালনা কৰা ব্ৰাহ্মণে এই মন্ত্ৰটো উচ্চাৰণ কৰিছিল। মন্ত্ৰটো বৰ্তমানেও বহুতো হিন্দু বিবাহত ব্যৱহাৰ কৰা হয় ঃ

মই এইগৰাকীক ইয়াৰ পৰা অব্যাহতি দিছো, তাৰ পৰা নহয়। মই কন্যাগৰাকীক তাত ভালদৰে আবদ্ধ কৰিছো যাতে ইন্দ্ৰৰ কৃপাত তাই সুপুত্ৰকসকলক জন্ম দিয়ে আৰু পতিৰ প্ৰেম লাভ কৰি সৌভাগ্যৱতী হয়।

প্ৰধান দেৱতাসকলৰ অন্যতম ইন্দ্ৰ হ'ল শৌৰ্য-বীৰ্য, যুদ্ধ আৰু বৃষ্টিৰ দেৱতা। 'ইয়াত' আৰু 'তাত' মানে হ'ল যথক্ৰমে পিতৃ আৰু পতি গৃহ।

➲ ওপৰোক্ত মন্ত্ৰটোৱে দৰা আৰু কইনাৰ ক্ষেত্ৰত কি তাৎপৰ্য বহন কৰিছে, আলোচনা কৰা। এই তাৎপৰ্যত কিবা সামঞ্জস্য আছে নে ই সম্পূৰ্ণ পৃথক?

উৎস ২

### জ্ঞাতিসকলে বিবাদত লিপ্ত হোৱাৰ কাৰণ

কুৰু আৰু পাণ্ডৱৰ মাজত কি কাৰণবশতঃ বিবাদ আৰম্ভ হ'ল সেই বিষয়ে সংস্কৃত মহাভাৰতৰ আদি পৰ্ব (অৰ্থাৎ প্ৰথম ভাগ)ত সন্নিৱিষ্ট বৰ্ণনা এটিৰ উদ্ধৃতিমতে ঃ

কৌৰৱসকল আছিল... ধৃতৰাষ্ট্ৰৰ পুত্ৰ আৰু পাণ্ডৱসকল আছিল তেওঁলোকৰ সম্পৰ্কীয় ভাতৃ। ধৃতৰাষ্ট্ৰ অন্ধ হোৱা বাবে তেওঁৰ ভাতৃ পাণ্ডুৱে হস্তিনাপুৰৰ (১ নম্বৰ মানচিত্ৰ চোৱা) ৰাজপাটত বহিছিল... কিন্তু পাণ্ডুৰ অকাল মৃত্যু ঘটিল আৰু আটাইবোৰ ৰাজকুমাৰ নাবালক হৈ থকাৰ বাবে ধৃতৰাষ্ট্ৰই সিংহাসনত আৰোহণ কৰিবলগীয়া হ'ল। পিছত, ৰাজকুমাৰসকল একেলগে ডাঙৰ হৈ অহাত, হস্তিনাপুৰৰ প্ৰজাই পাণ্ডু ভাতৃসকল যিহেতু কৌৰৱসকলতকৈ অধিক কাৰ্যক্ষম, সৎ স্বভাৱী আৰু ধৰ্মপৰায়ণ সেইবাবে তেওঁলোকক তুলনামূলকভাৱে অধিক পচন্দ কৰিবলৈ ল'লে। ফলত, কৌৰৱ ভাতৃসকলৰ ভিতৰত জ্যেষ্ঠ দুৰ্যোধন ইৰ্ষিত হ'ল। তেওঁৰ পিতৃক সাক্ষাৎ কৰি এই বুলি ক'লে— 'হে পৃথিৱী ঈশ্বৰ, আপুনি (শাৰীৰিকভাৱে) অক্ষম হোৱাৰ বাবে সিংহাসনখন পায়ো নাপালে। এতিয়া যদি পিতৃসূত্ৰমতে পাণ্ডুৰ পুত্ৰই সিংহাসন লাভ কৰে, তেন্তে তেওঁৰ পিছত তেওঁৰ পুত্ৰই আৰু সেই পুত্ৰৰ পিছত তেওঁৰ পুত্ৰ ৰজা হ'ব। এইদৰে আমি কৌৰৱসকল আৰু আমাৰ পুত্ৰসকলো ৰাজ উত্তৰাধিকাৰৰ পৰা বঞ্চিত হ'ব আৰু সমগ্ৰ জগতৰ চকুত তেওঁলোক হেঞা হৈ পৰিব।'

মহাকাব্যৰ ওপৰোক্ত পৃষ্ঠাৰ ভাষ্য আখৰে আখৰে সঁচা নহ'বও পাৰে, কিন্তু ই আমাক এই পাঠ্যৰ লোকসকলৰ মনোভাবৰ ইঙ্গিত দিয়ে। কেতিয়াবা এইক্ষেত্ৰত দেখাৰ দৰে এনে লেখনিবোৰত পৰস্পৰ বিৰোধী ধাৰণাও থাকে।

➲ এই ঘটনাটো পঢ়ি ইয়াত পৰামৰ্শ দিয়া মতে, ৰজা হ'বলৈ কি কি আৰ্হিৰ আৱশ্যক তাৰ এখন তালিকা প্ৰস্তুত কৰা। ইয়াৰ ভিতৰত কোনো এক বিশেষ পৰিয়ালত জন্মগ্ৰহণ কৰাটোত কিমান গুৰুত্ব দিয়া হৈছিল? এই আৰ্হিসমূহৰ কোনটো আৰ্হি ন্যায়সঙ্গত যেন অনুভৱ হয়? ইয়াৰ কোনোবাটো তোমাৰ অন্যায় যেন লাগেনে?

## ২.৩ বিবাহ বিধানসমূহ

পিতৃসূত্ৰে বংশ পৰম্পৰা চলিত ৰাখিবৰ বাবে সমাজে পুত্ৰসকলক যি মান দিছিল, সেই একেটা ঠাঁচত কন্যাসকলক অন্য চকুৰে চোৱা হৈছিল। ঘৰুৱা সম্পদৰ ওপৰত তেওঁলোকৰ কোনো দাবী নাছিল। এইদৰে, কন্যাসকলক বৰ্হিগোষ্ঠীত বিবাহ দিয়াটো কাম্য আছিল। বহিৰ্বিবাহ পদ্ধতিৰ ক্ষেত্ৰত দেখা গৈছিল যে, সমাজত উচ্চস্থান দাবী কৰা পৰিয়ালসমূহৰ যুৱতী কন্যা বা তিৰোতাৰ জীৱনটো সাৱধানতাৰে নিয়ন্ত্ৰিত কৰা হৈছিল যাতে, 'উপযুক্ত বয়সত তেওঁলোকক উপযুক্ত পাত্ৰস্থ কৰিব পাৰে। এনে পদ্ধতিয়ে এটা বদ্ধমূল ধাৰণাৰ সৃষ্টি কৰিছিল যে, কন্যাদান তথা নিজৰ কন্যাক বিয়া দিয়াটো পিতৃৰ এক গুৰুত্বপূৰ্ণ ধৰ্মীয় কৰ্তব্য।

নগৰসমূহৰ বিকাশ (দ্বিতীয় অধ্যায়ত চোৱা)ৰ লগে লগে সামাজিক জীৱনো জটিল হৈ পৰিছিল। ওচৰ আৰু দূৰৈৰ লোকসকলে নগৰীয়া পৰিবেশত হাটে-বজাৰে মিলিত হৈ বয়-বস্তু বেচা-কিনা কৰাৰ লগতে নিজ নিজ ধাৰণাৰো আদান-প্ৰদান কৰিছিল। ইয়াৰ ফলত কেতিয়াবা হয়তো পুৰণি বিশ্বাস আৰু প্ৰচলিত অভ্যাস (চতুৰ্থ অধ্যায়ত চোৱা)ৰ ওপৰতো নানা প্ৰশ্নৰ অৱতাৰণা ঘটিছিল।

### বিবাহ পদ্ধতিসমূহ

**অন্তৰ্বিবাহ ঃ** ইয়াৰ অৰ্থ হ'ল এটা গোটৰ মাজত বিবাহ। এনে গোট স্বৱৰ্ণ, স্বগোষ্ঠী বা একে স্থানত বাস কৰা সমষ্টিও হ'ব পাৰে।

**বহিৰ্বিবাহ ঃ** নিজ গোষ্ঠী বা গোত্ৰৰ বহিৰ্ভূত বিবাহ

**বহুবিবাহ ঃ** এজন লোকে বহু পত্নী গ্ৰহণ কৰা প্ৰথা।

**বহুপতি প্ৰথা ঃ** একে সময়তে বহু বৈধ পতি থকা সামাজিক ব্যৱস্থা।

উৎস ৩

**আঠবিধ বিবাহ পদ্ধতি**

মনুস্মৃতিত উল্লেখিত প্ৰথম, চতুৰ্থ, পঞ্চম আৰু ষষ্ঠবিধ বিবাহ প্ৰক্ৰিয়া আছিল এনে ধৰণৰ ঃ

**প্ৰথম ঃ** কন্যাগৰাকীক মূল্যৱান বস্ত্ৰ পিন্ধাই, আদৰ-চেনেহ কৰি ৰত্নাদি উপহাৰ দি পিতৃয়ে স্বয়ং বেদজ্ঞ পাত্ৰজনক (বিবাহৰ বাবে) আমন্ত্ৰণ জনায়।

**চতুৰ্থ ঃ** কন্যাদান কৰাৰ পূৰ্বে পিতৃয়ে দৰা-কইনাক সম্বোধন কৰি এইদৰে কয়— 'তোমালোক উভয়ে একেলগে কৰ্তব্যসমূহ পালন কৰিবা।' এই উক্তিৰ পিছত দৰাক বিশেষ ধৰণে মান ধৰা হয়।

**পঞ্চম ঃ** দৰাই স্ব-ইচ্ছাই নিজ সামৰ্থানুসৰি আত্মীয়-স্বজন আৰু কন্যালৈ ধন, উপহাৰ আদি আগবঢ়াই কন্যাগৰাকীক গ্ৰহণ কৰে।

**ষষ্ঠ ঃ** যুৱতীৰ স্বেচ্ছাই প্ৰেমিকৰ সৈতে মিলন... এনে ইচ্ছা কামনাৰ পৰা হঠাৎ নিৰ্গত হয়।

➲ উপৰোক্ত বিবাহসমূহৰ প্ৰত্যেকটোৰ ক্ষেত্ৰত বিবাহৰ সিদ্ধান্ত কোনে লৈছিল, আলোচনা কৰি চোৱা।

(ক) কন্যা
(খ) দৰা
(গ) কন্যাৰ পিতৃ
(ঘ) দৰাৰ পিতৃ
(ঙ) আন কোনোবা ব্যক্তিয়ে

এনেধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা ব্ৰাহ্মণসকলে ইয়াৰ প্ৰতি সঁহাৰি জনাই সামাজিক ব্যৱহাৰৰ বিষয়ে দীঘলীয়া বিধানৰ সৃষ্টি কৰিছিল। বিধানবোৰ বিশেষভাৱে ব্ৰাহ্মণ আৰু সাধাৰণভাৱে সমাজৰ অন্যান্যসকলৰ উদ্দেশ্যে সৃষ্ট হৈছিল। খ্ৰীষ্টপূৰ্ব প্ৰায় ৫০০ৰ পৰা এই বিধানবোৰ সঙ্কলন কৰি সংস্কৃত পাঠ্যত সংযোজিত কৰাত পাঠ্যপুথিসমূহ ধৰ্মসূত্ৰ আৰু ধৰ্মশাস্ত্ৰ নামেৰে জনাজাত হৈছিল। ইয়াৰ ভিতৰত সবাতোকৈ গুৰুত্ব লাভ কৰা মনুস্মৃতি নামৰ পুথিখন সঙ্কলিত হৈছে আনুমানিক খ্ৰীষ্টপূৰ্ব ২০০ আৰু ২০০ খ্ৰীষ্টাব্দৰ মধ্যৱৰ্তী কালছোৱাত।

যদিও এই পুথিসমূহৰ লেখক ব্ৰাহ্মণসকলে তেওঁলোকে দৰ্শোৱা যুক্তিসমূহৰ এক সাৰ্বজনীন সঙ্গতি আছে বুলি প্ৰচাৰ কৰি তেওঁলোকে যি বিধান দিছে সেইবোৰ প্ৰত্যেকে মানি ল'ব বুলি দাবী কৰিছিল। যথাৰ্থতে কিন্তু প্ৰকৃত সামাজিক সম্পৰ্ক যথেষ্ট আউল লগা যেনহে লাগে। তদুপৰি, উপ-মহাদেশখনৰ ভিতৰত আঞ্চলিক বৈচিত্ৰতা আৰু যাতায়াতৰ সমস্যালৈ চাই ব্ৰাহ্মণসকলৰ প্ৰভাৱ কোনোপধ্যেই বিপথগামী আছিল বুলিব নোৱাৰি।

আন এটা মনোযোগ আকৰ্ষণকাৰী বিষয় এয়ে যে, ধৰ্মসূত্ৰ আৰু ধৰ্মশাস্ত্ৰসমূহে মুঠতে আঠবিধ বিবাহ প্ৰক্ৰিয়াকে স্বীকৃতি দিছিল। ইয়াৰে প্ৰথম চাৰিটা 'উত্তম' বুলি গ্ৰহণ কৰি বাকীকেইটা বাতিল কৰিছিল। সম্ভৱতঃ ব্ৰাহ্মণৰ বিধান গ্ৰহণ নকৰাসকলৰ মাজত পিছৰ প্ৰক্ৰিয়াকেইটিৰ প্ৰচলন আছিল।

## ২.৪ নাৰীৰ গোত্ৰ

খ্ৰীষ্টপূৰ্ব আনুমানিক ১০০০ৰ পৰা আন এটা ব্ৰাহ্মণ্য বিধান চকুত পৰিছিল আৰু ই হ'ল জনগণ (বিশেষকৈ ব্ৰাহ্মণসকল)ক গোত্ৰ হিচাপে শ্ৰেণীভুক্তকৰণ। একো একোজন বৈদিক মুনিৰ নামেৰে গোত্ৰসমূহৰ নামকৰণ কৰি স-গোত্ৰীয় লোকক তেওঁৰ বংশোদ্ভৱ বুলি গণ্য কৰা হৈছিল। গোত্ৰ সম্বন্ধে দুটা বিধান আছিল লেখত ল'বলগীয়া— প্ৰথমটো হ'ল বিবাহৰ অন্তত কন্যাই পিতৃগোত্ৰ ত্যাগ কৰি স্বামীৰ গোত্ৰ গ্ৰহণ কৰিব লাগে আৰু দ্বিতীয়তে, স-গোত্ৰীয় বিবাহ নিষিদ্ধকৰণ।

গোত্ৰ সম্বন্ধীয় বিধান সকলো ক্ষেত্ৰতে মানি চলা হৈছে নে নাই সেই বিষয়ে স্থিৰ-নিশ্চিত হ'বলৈ এটা উপায় হ'ল পুৰুষ আৰু নাৰীৰ নামবোৰ পৰীক্ষা কৰা। কোনো কোনো ক্ষেত্ৰত নামবোৰ যিহেতু গোত্ৰৰ সৈতে জড়িত থাকে, সেইক্ষেত্ৰত এই উপায়টো সহায়ক হয়। পশ্চিম ভাৰতৰ অংশবিশেষ আৰু দাক্ষিণাত্যত শাসন কৰা (আনুমানিক খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ পৰা দ্বিতীয় শতিকা খ্ৰীষ্টাব্দলৈকে) সতবাহনসকলৰ দৰে ক্ষমতাপন্ন বংশোদ্ভৱ ৰজাৰ সাফল্যৰ ক্ষেত্ৰত গোত্ৰৰ সৈতে সংশ্লিষ্ট নামবোৰ দেখা যায়। ইতিমধ্যে এইসকল ৰজাৰ এক বুজন পৰিমাণৰ লিপি আৱিস্কৃত হোৱাত ঐতিহাসিকসকলে ইয়াৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ পৰিয়ালৰ বিবাহকে আৰম্ভ কৰি পাৰিবাৰিক বন্ধনসমূহৰ সন্ধান কৰিবলৈ সুযোগ লাভ কৰিছে।

কোনো কোনো সতবাহন ৰজাৰ একাধিক পত্নী আছিল। সতবাহন ৰজাক পতিবৰণ কৰা স্ত্ৰীসকলৰ নামবোৰ পৰীক্ষা কৰিলে দেখা যায় যে, এওঁলোকৰ বহুতৰে নাম পিতৃৰ গোত্ৰ, যেনে— গোতম, বশিষ্ট আদিৰ পৰাহে লোৱা হৈছে। ব্ৰাহ্মণ্য বিধানমতে, বিবাহিতা স্ত্ৰীয়ে স্বামীৰ গোত্ৰৰ উপাধি গ্ৰহণ কৰিব লাগে

উৎস ৪

## লিপিত প্ৰাপ্ত সতবাহন ৰজাসকলৰ নাম

লিপিসমূহৰ পৰা উদ্ধাৰ কৰা সতবাহন ৰজাসকলৰ কেইবাটাও পিৰিৰ নামবোৰ ইয়াত সন্নিৱিষ্ট কৰা হৈছে।। ইয়াৰ ৰজা পদবীটো সাৰ্বজনীন ৰূপত ব্যৱহৃত হোৱাটো লক্ষ্য কৰা। নিম্নলিখিত শব্দবোৰ মন কৰিলে দেখিবা যে প্ৰতিটো শব্দৰ শেষত 'পুতা' শব্দটো যুক্ত হৈছে। 'পুতা' প্ৰাকৃত শব্দ আৰু ইয়াৰ অৰ্থ হ'ল 'পুত্ৰ'। এতেকে, 'গৌতমীপুতা'ৰ অৰ্থ হ'ল গোতমীৰ পুত্ৰ। গৌতমী, বশিষ্টি আদি নামবোৰ গৌতম, বশিষ্ট আদি নামৰ স্ত্ৰীলিঙ্গ। গোতম (গৌতম) আৰু বশিষ্ট আছিল দুজন ঋষি আৰু তেওঁলোকৰ নামেৰে দুটা গোত্ৰৰ নামকৰণ কৰা হৈছিল।

'ৰাজা গোতমী— পুতা শিৰি-সতকণি

ৰাজা বশিষ্টি— পুতা (সামী) শিৰি-পুলুমায়ী

ৰাজা গোতমী— পুতা সামী-শিৰি-জন সতকণি

ৰাজা মাধৱী— পুতা স্বামী শকসেন

ৰাজা বসথি— পুতা চতৰপাণ-সতকণি

ৰাজা হৰিতি— পুতা বিনহুকাদ চতুকুলনামদা সতকমণি

ৰাজা গোতমী— পুতা শিৰি-বিজয়-সতকণি'

➲ ইয়াত কেইগৰাকী গোতমী পুত আৰু বশিথি (আন বানানৰ মতে বশথি) পুত আছে?



*নক্সা ৩.৩*
*বৌদ্ধ ভিক্ষুসকলক দান কৰা গুহাৰ প্ৰাচীৰৰ পৰা সংগ্ৰহ কৰা এটা বিৰল ভাস্কৰ্য। মূৰ্তিটো এজন সতবাহন ৰজাৰ আৰু সম্ভৱতঃ খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত নিৰ্মিত হৈছিল।*

### উপনিষদত মাতৃপক্ষৰ নাম ব্যৱহাৰ

*বৃহদাৰণ্যক* হ'ল উপনিষদৰ সবাতোকৈ পুৰণি বুলি জনাজাত পুথি (চতুৰ্থ অধ্যায়ত চোৱা)। এই পুথিখনত ধাৰাবাহিক পিৰিৰ শিক্ষক আৰু ছাত্ৰৰ এখন তালিকা দিয়া হৈছে। তালিকাখনৰ ভালেমান নামত মাতৃসূত্ৰে প্ৰাপ্ত উপাধি, পদবী আদি সংযোজন কৰা হৈছে।

উৎস ৫

### এগৰাকী মাতৃৰ উপদেশ

কেতিয়া, কি পৰিস্থিতিত কৌৰৱ আৰু পাণ্ডৱসকলৰ যুদ্ধ প্ৰায় অপৰিহাৰ্য হৈছিল, সেই বিষয়ে মহাভাৰতে বৰ্ণনা দিছে। এনে এক সন্ধিক্ষণত গান্ধাৰীয়ে তেওঁৰ জ্যেষ্ঠপুত্ৰ দুৰ্যোধনক শেষবাৰলৈ এইদৰে অনুনয় কৰি কৈছিল ঃ

শান্তি স্থাপন কৰিলে তুমি তোমাৰ পিতৃ আৰু মোৰ লগতে তোমাৰ আটাই বোৰ শুভাকাংক্ষীকে সন্মান কৰা হ'ব... প্ৰহৰীৰ দৰে ৰাজ্যখন পহৰা দি থকা বোধশক্তিমান জ্ঞানীজনে সদায় নিজকে নিয়ন্ত্ৰণত ৰাখে। লিপ্সা আৰু ক্ৰোধে মানুহক তেওঁৰ লাভাংশৰ পৰা আঁতৰলৈ টানি নিয়ে; (সেইবাবে) এই দুয়োটা শত্ৰুক পৰাভূত কৰিব পাৰিলে বিশ্বজয় কৰিব পাৰি...

হে মোৰ পুত্ৰ! জ্ঞানী আৰু ধীৰ-স্থিৰ পাণ্ডৱসকলৰ সৈতে তুমিও আনন্দৰে পৃথিৱীখন উপভোগ কৰিব পাৰিবা... যুঁজ-বাগৰ কৰি কোনো সুফল, আইন (ধৰ্ম) আৰু লাভ (অৰ্থ) প্ৰাপ্তি নঘটে। জীৱনটো আনন্দময় কৰি তোলা; (মনত ৰাখিবা) যুঁজৰ শেষত বিজয় নহ'বও পাৰে— (সেইবাবে) যুঁজৰ প্ৰতি মন নিদিবা...

দুৰ্যোধনে এনে উপদেশ আওকাণ কৰি যুঁজত অৱতীৰ্ণ হ'ল আৰু পৰাজয়বৰণ কৰিলে।

➲ প্ৰাচীন ভাৰতীয় সমাজত মাতৃসকলক কি চকুৰে চোৱা হৈছিল, সেই বিষয়ে এই পাঠটোৱে তোমাক কিবা ধাৰণা দিব পাৰিছেনে?

➲ আলোচনা কৰা...

আজিকালি শিশুসকলৰ কিদৰে নামকৰণ কৰা হয়? এই অধ্যায়ত বৰ্ণিত নিয়মসমূহৰ সৈতে ইয়াৰ কিবা সাদৃশ্য নাইবা বৈসাদৃশ্য আছেনে?

যদিও, এওঁলোকে দেখ দেখকৈ পিতৃগৃহৰ গোত্ৰ, নাম, উপাধি আদিহে ব্যৱহাৰ কৰিছে। এইটোও স্পষ্ট যে, তেওঁলোকৰ কিছুসংখ্যকৰ গোত্ৰও এক। ইয়াৰ দ্বাৰা দেখা গৈছে যে, ব্ৰাহ্মণ্য পুথিসমূহে গোষ্ঠী বা গোত্ৰৰ বৰ্হিভূত বিবাহক আদৰ্শ বিবাহ বুলি অনুমোদন জনাইছে যদিও ইয়াৰ উলঙ্ঘা কৰাৰ দৃষ্টান্তও আছে। বৰং ইয়াৰ সলনি দক্ষিণ ভাৰতৰ কিছুমান জনগোষ্ঠীৰ মাজত প্ৰচলিত আন এবিধ বিবাহ পদ্ধতি, যথা অন্তৰ্বিবাহ, তথা স্বগোত্ৰ, বিবাহকহে তেওঁলোকে এক বিকল্প আৰু আদৰ্শ পদ্ধতি বুলি মত পোষণ কৰিছে। কোৱা বাহুল্য যে, দক্ষিণ ভাৰতত আজিও অন্তৰ্বিবাহ (যেনে, সম্বন্ধীয় ভাই-ককাই বা নিকট আত্মীয়ৰ সৈতে বিবাহ)ৰ প্ৰচলন আছে। এনে বিবাহৰ দ্বাৰা নিবিড় আত্মীয়তাৰ এনাজৰীৰে বন্ধা একো একোটা জনগোষ্ঠীৰ সৃষ্টি হয়।

একেদৰে, উপ-মহাদেশখনৰ আন অংশতো নানা বৈচিত্ৰ্য বিৰাজ কৰিছিল যেন লাগিলেও, এইক্ষেত্ৰত ইতিহাস পুনৰ গঠন কৰিব পৰাকৈ সবিশেষ তথ্য-পাতিৰ এতিয়াও অভাৱ।

## ২.৫ মাতৃসকল প্ৰভাৱশালী আছিলনে?

সতবাহন শাসকসকলক কিদৰে মাতৃৰ নামেৰে চিনাক্ত কৰা হয়, আমি দেখিছোহঁক। অৱশ্যে, সতবাহন যুগৰ মাতৃসকল যথেষ্ট প্ৰভাৱশালী যেন লাগিলেও, এই বিষয়ে এটা চূড়ান্ত মতত উপনীত হোৱাৰ পূৰ্বে যথেষ্ট সাৱধানতা অৱলম্বন কৰাটো যুগুত। আমি এইটোও মন কৰিব লাগিব যে, সতবাহন ৰজাসকলে সাধাৰণতে পিতৃসূত্ৰে উত্তৰাধিকাৰ ভোগ কৰিছিল।



*নক্সা ৩.৪*
*এক যুদ্ধৰ দৃশ্য*
*উত্তৰ প্ৰদেশৰ অহিচ্ছত্ৰ মন্দিৰ (আনুমানিক খ্ৰীষ্টীয় পঞ্চম শতিকা)ৰ প্ৰাচীৰৰ পৰা সংগৃহীত প্ৰাচীনতম ভাস্কৰ্যৰ অন্যতম পোৱা মাটিৰ এই ভাস্কৰ্যৰ যোগেদি মহাভাৰতৰ এটা দৃশ্য প্ৰদৰ্শিত হৈছে।*

## ৩. বৰ্ণৰ মূলনীতিৰ ভিতৰে-বাহিৰে থকা সামাজিক বৈষম্যতাসমূহ

তোমালোকে ইতিমধ্যে বৰ্ণ শব্দটোৰ সৈতে চিনাকি হৈছাহঁক। উচ্চৰ পৰা নিম্নলৈকে স্তৰবদ্ধ হিচাপে সৃষ্ট সামাজিক শ্ৰেণীসমূহক বুজাবলৈ এই বৰ্ণ শব্দটো ব্যৱহৃত হয়। ধৰ্মসূত্ৰ আৰু ধৰ্মশাস্ত্ৰসমূহে এই স্তৰবদ্ধতাক উল্লেখ কৰি ইয়াক আদৰ্শগত বুলি প্ৰতিপন্ন কৰিছে। সেইমতে প্ৰথম স্থান লাভ কৰা ব্ৰাহ্মণসকলে এইটো এটা দৈবাজ্ঞা বুলি দাবী কৰি শুদ্ৰ আৰু 'অস্পৃশ্যসকল'ক সামাজিক স্তৰৰ আটাইতকৈ নিম্নত স্থান দিছে। এই বিধানৰ অন্তৰ্গত স্থানসমূহ জন্মসূত্ৰে নিৰ্ধাৰিত হয় বুলিও এটা পূৰ্ব সাব্যস্ত ধাৰণা আন্দাজমতে গ্ৰহণ কৰা হৈছে।

### ৩.১ 'সৎ' বৃত্তি

চাৰিওটা বৰ্ণৰ আদৰ্শ বৃত্তিৰ বিষয়েও ধৰ্মসূত্ৰ আৰু ধৰ্মশাস্ত্ৰই বিধান দিছে। সেইমতে, ব্ৰাহ্মণৰ ক্ষেত্ৰত নিৰ্ধাৰিত হৈছে বেদ অধ্যয়ন আৰু বেদ শিক্ষাপ্ৰদান, নিজে উচৰ্গা কৰি আনৰ উচৰ্গতো তদাৰক, দান আৰু উপহাৰ গ্ৰহণ। ক্ষত্ৰিয়ৰ বৃত্তি হ'ল যুদ্ধ-বিগ্ৰহত অংশগ্ৰহণ, জনসাধাৰণক ন্যায় আৰু সুৰক্ষা দান, বেদ অধ্যয়ন, উচৰ্গাসমূহৰ তত্ত্বাৱধান আৰু উপহাৰ প্ৰদান। ইয়াৰে শেষৰ তিনিটা বৃত্তি বৈশ্যসকলৰ বাবেও নিৰ্ধাৰিত হৈছে। ইয়াৰ উপৰি কৃষি, পশু পালন আৰু বেহা-বেপাৰৰ প্ৰতিও তেওঁলোক দায়বদ্ধ আছিল। শুদ্ধসকলৰ ক্ষেত্ৰত এটা বৃত্তিয়ে উল্লেখিত হৈছিল আৰু সেইটো হ'ল— 'উচ্চ' বৰ্ণৰ লোকৰ প্ৰতি সেৱা আগবঢ়োৱা।

এই বিধানসমূহ কাৰ্যকৰী কৰিবলৈ ব্ৰাহ্মণসকলে দুটা বা তিনিটা উপায় উদ্ভাৱন কৰিছিল। ইয়াৰ এটা হ'ল, আমি এইমাত্ৰ দেখি অহাৰ দৰে তেওঁলোকৰ প্ৰচাৰ যে, দৈবাজ্ঞা অনুসৰিহে বৰ্ণসমূহৰ জন্ম হৈছে। দ্বিতীয়তে, এই বিধানসমূহ যাতে ৰাজ্যখনত পালন কৰা হয় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ ৰজাসকলক পৰামৰ্শ দান আৰু তৃতীয়তে, বৰ্ণপ্ৰথা যে জন্মসূত্ৰেহে হয়, সেইটো জনগণৰ মজ্জাগত কৰাৰ প্ৰচেষ্টা। অৱশ্যে এনে কাম সদায় উজু নাছিল। সেইবাবে, এই উপায়সমূহ পুনৰ সবলীকৰণৰ উদ্দেশ্যে প্ৰায়ে মহাভাৰত আৰু আন আন পাঠ্যৰ কাহিনীসমূহৰ আশ্ৰয় লোৱাটো মন কৰিবলগীয়া।

উৎস ৬

**দৈবাজ্ঞা?**

ব্ৰাহ্মণসকলে নিজ দাবীৰ নায্যতা প্ৰতিপন্ন কৰিবলৈ প্ৰায়ে ঋকবেদৰ এটা শ্লোকলৈ আঙুলিয়ায়। পুৰুষসুক্ত নামেৰে জনাজাত এই শ্লোকটোৰ দ্বাৰা পুৰুষ তথা আদিম লোকজনৰ উচৰ্গাৰ এটা বিৱৰণ দিয়া হৈছে। সামাজিক চাৰিটা শ্ৰেণীকে ধৰি বিশ্বব্ৰহ্মাণ্ডৰ সকলোবোৰ মৌল উপাদান এই আদিম লোকজনৰ পৰাই বিচ্ছুৰিত হৈছিল।

তেওঁৰ মুখৰ পৰা নিৰ্গত হৈছিল ব্ৰাহ্মণ আৰু বাহুৰ পৰা ক্ষত্ৰিয়।

তেওঁৰ জঙ্ঘাই বৈশ্যৰ ৰূপ ধাৰণ কৰিছিল আৰু পদ যুগলৰ পৰা জন্ম লভিছিল শুদ্ৰই।

➲ কি কাৰণবশতঃ ব্ৰাহ্মণসকলে সঘনে এই শ্লোকটোৰ উদ্ধৃতি দিছিল বুলি তুমি ভাবা?

উৎস ৬

## 'যথাৰ্থ' সামাজিক ভূমিকা

ইয়াত মহাভাৰতৰ আদি পৰ্বৰ এটি কাহিনী সংযোজিত হৈছে ঃ

কুৰু ৰাজকোঁৱৰসকলক ধনু বিদ্যাৰ প্ৰশিক্ষণ দিয়া দ্ৰোণাচাৰ্য নামৰ ব্ৰাহ্মণজনক একলব্য নামৰ নিষাদ তথা চিকাৰি সম্প্ৰদায়ৰ এজন যুৱকে তেওঁকো এই বিদ্যা শিকাবলৈ অনুৰোধ জনাইছিল। ধৰ্মৰ বিষয়ে যথেষ্ট জ্ঞান থকা দ্ৰোণাচাৰ্যই যেতিয়া একলব্যক শিষ্য হিচাপে গ্ৰহণ কৰিবলৈ অসন্মত হ'ল, তেতিয়া তেওঁ অৰণ্যলৈ উভটি গৈ বোকা মাটিৰে দ্ৰোণাচাৰ্যৰ এটি প্ৰতিমূৰ্তি সাজি, এই প্ৰতিমূৰ্তিটোকে তেওঁৰ গুৰু মানি নিজক নিজে ধনুৰ্বিদ্যা অভ্যাস কৰিবলৈ ল'লে। যথাসময়ত তেওঁ ধনুৰ্বিদ্যাত অতি পাৰ্গত হৈ উঠিল। এদিন কুৰু ৰাজকোঁৱৰসকলে মৃগনাৰ্থে আহি অৰণ্যত ঘূৰি-পকি থাকোতে তেওঁলোকৰ কুকুৰটোৱে অকলে একলব্যৰ ওচৰ পালেগৈ। ক'লা হৰিণাৰ ছাল গাত মেৰোৱা, গাটো মলিৰে খলমা বন্ধা ক'লা নিষাদজনক শুঙি কুকুৰটোৱে ভুকিবলৈ ধৰিলে। ইয়াতে খং কৰি একলব্যই একেলগে সাতডাল কাঁড় মাৰি কুকুৰটোৰ মুখখন বন্ধ কৰি থ'লে। তেনে অৱস্থাতে কুকুৰটোৱে উভটি গৈ পাণ্ডৱসকলৰ সন্মুখত উপস্থিত হ'লত, তেওঁলোকে ধনু বিদ্যাৰ এনে অপূৰ্ব চানেকি দেখি বিচুৰ্তি খালে। ইয়াৰ পিছত তেওঁলোকে একলব্যক বিচাৰি উলিওৱাত তেওঁ নিজকে দ্ৰোণাচাৰ্যৰ শিষ্য বুলি চিনাকি দিলে।

ইতিমধ্যে, দ্ৰোণে এবাৰ তেওঁৰ প্ৰিয় শিষ্য অৰ্জুনক তেওঁৰ শিষ্যসকলৰ মাজত অপ্ৰতিদ্বন্দ্বী হ'ব বুলি বচন দিছিল। এতিয়া অৰ্জুনে তেওঁক সেই কথা মনত পেলাই দিলে। এইবাৰ দ্ৰোণাচাৰ্যই গৈ একলব্যক লগ ধৰাত তেওঁ তৎক্ষণাত তেওঁক স্বীকৃতি দি গুৰু বুলি সন্মান জনালে। এতিয়া দ্ৰোণাচাৰ্যই গুৰুদক্ষিণা হিচাপে একলব্যৰ সোঁহাতৰ বুঢ়া আঙুলিটো বিচাৰিলে, তেওঁ বিন্দুমাত্ৰ ইতঃস্তত নকৰাকৈ আঙুলিটো কাটি তেওঁক উচৰ্গা কৰিলে। কিন্তু এই ঘটনাৰ পিছত একলব্যই যেতিয়া বাকী আঙুলিকেইটাৰ সহায়ত কাঁড় মাৰিলে তেতিয়া সেই কাঁড়বোৰৰ পূৰ্বৰ তীব্ৰ গতি দেখা নগ'ল। এইদৰে গুৰু দ্ৰোণাচাৰ্যই তেওঁৰ বচনৰ সন্মান ৰাখিলে যে, অৰ্জুনতকৈ শ্ৰেষ্ঠতৰ কোনো নাই।

➲ এই কাহিনীটোৰ যোগেদি নিষাদসকললৈ কি বাৰ্তা দিবলৈ বিচৰা হৈছিল বুলি তুমি ভাবা?

নিষাদসকলক ই কি বাৰ্তা দিব বাৰু?

ধনু বিদ্যাৰ প্ৰশিক্ষণকালত গুৰু দ্ৰোণাচাৰ্যই ধৰ্মসূত্ৰৰ বিধানমতে ব্ৰাহ্মণসুলভ আচৰণ কৰিছিল বুলি তুমি ভাবানে?

### ৩.২ অক্ষত্ৰিয় ৰজাসকল

শাস্ত্ৰমতে কেৱল ক্ষত্ৰিয়সকলহে ৰজা হ'ব পাৰে। তথাপি ভালেমান ৰাজবংশ সম্ভৱতঃ আন উৎসৰ পৰাও উদ্ভৱ হৈছিল। এখন বিশাল সাম্ৰাজ্যত ৰাজত্ব কৰি যোৱা মৌৰ্যসকলৰ উপৰি সামাজিক পৃষ্ঠভূমিৰ প্ৰশ্নটোৱেও উত্তপ্ত যুক্তি-তৰ্কৰ পথ মুকলি কৰিছে। পৰৱৰ্তী বৌদ্ধ পাঠ্যসমূহে মৌৰ্যসকলক ক্ষত্ৰিয় বুলি চিনাকি দিয়াৰ বিপৰীতে ব্ৰাহ্মণ্য পুথিমতে তেওঁলোক আছিল 'নিম্ন' শ্ৰেণীৰ লোক। মৌৰ্যসকলৰ প্ৰত্যক্ষ স্থলাভিষিক্ত শুঙ্গ আৰু কাণ্বসকলহে ব্ৰাহ্মণ আছিল। দৰাচলতে, সম্পদ আৰু সমৰ্থন সংগ্ৰহ কৰা যিকোনো লোকৰ বাবে ৰাজনৈতিক ক্ষমতাৰ দুৱাৰ বাস্তৱিকতে মুক্ত হৈ থাকে আৰু কাচিৎহে জন্মসূত্ৰে ক্ষত্ৰিয় হোৱা প্ৰশ্নটোৰ ওপৰত ই নিৰ্ভৰশীল।

শাকসকলকে ধৰি মধ্য এছিয়াৰ পৰা অহা লোকসকলক ব্ৰাহ্মণসকলে ম্লেছ, বৰ্বৰ আৰু বিদেশী বুলি অভিহিত কৰিছিল। আনহাতে, আনুমানিক খ্ৰীষ্টীয় দ্বিতীয় শতিকাত ৰাজত্ব কৰা শাসকসকলৰ সবাতোকৈ জনাজাত ৰজা ৰুদ্ৰদামনে সুদৰ্শন হ্ৰদ পুনৰ নিৰ্মাণ কৰিছিল (দ্বিতীয় অধ্যায়ত দ্ৰষ্টব্য) বুলি আটাইতকৈ পুৰণি সংস্কৃত লিপিসমূহৰ এখন লিপিত উল্লেখিত হৈছে। ইয়াৰ দ্বাৰা প্ৰতীয়মান হয় যে, ক্ষমতাপন্ন ম্লেছসকল সংস্কৃত ভাষাগোষ্ঠীক পৰম্পৰাৰ সৈতে পৰিচিত আছিল।

সতবাহনসকলৰ সৰ্বত্ৰ জনাজাত ৰজা গৌতমীপুত্ৰ শতকৰ্ণী একেধাৰে এজন অতুলনীয় ব্ৰাহ্মণ (এক বাহমণ) আৰু ক্ষত্ৰিয়সকলৰ দৰ্পচূৰ্ণকাৰী বুলি কৰা দাবীয়েও সকলোৰে চিত্তাকৰ্ষণ কৰিছে। এজন ৰজাই চতুঃবৰ্ণৰ মাজত অন্তৰ্বিবাহ নিষেধ কৰিছিল বুলিও কোৱা হয়। কিন্তু একে সময়তে, তেওঁ ৰুদ্ৰদামনৰ আত্মীয়ৰ সৈতে বৈবাহিক মিত্ৰতা স্থাপন কৰা দেখা গৈছিল।

ওপৰোক্ত উদাহৰণটোৰ পৰা তোমালোকে নিশ্চয় উপলব্ধি কৰিছা যে বৰ্ণৰ কাঠামৰ ভিতৰত সংহতি স্থাপন কৰাটো প্ৰায়ে আছিল এক জটিল প্ৰক্ৰিয়া। সতবাহনসকলে নিজকে ব্ৰাহ্মণ বুলি দাবী কৰিছিল, কিন্তু ইফালে ব্ৰাহ্মণসকলৰ শাস্ত্ৰত কোৱা হৈছে যে, ৰজাসকল ক্ষত্ৰিয় হ'বই লাগে। তদুপৰি এইটোও দৃষ্টিগোচৰ হৈছে যে, চতুঃবৰ্ণ বিধান মানি চলে বুলি ন' দি ক'লেও নিজে কিন্তু বৰ্ণ পদ্ধতিৰ বহিৰ্ভূত বুলি গণ্য লোকৰ সৈতে বৈবাহিক মিত্ৰতাত প্ৰৱেশ কৰে। আকৌ আমি লক্ষ কৰাৰ দৰে ব্ৰাহ্মণ্য পাঠ্যৰ দ্বাৰা অনুমোদিত নিজ গোষ্ঠী বহিৰ্ভূত বিবাহৰ সলনি তেওঁলোকে স্বগোষ্ঠী বিবাহৰ নিয়ম প্ৰচলন কৰিছে।



নক্সা ৩.৫
*আনুমানিক খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ এই ৰৌপ মুদ্ৰাটোত এজন শক ৰজাৰ প্ৰতিচ্ছবি অঙ্কিত হৈছে।*

## ৩.৩ জাতি আৰু সামাজিক গতিশীলতা

ওপৰোল্লেখিত জটিলতাসমূহ সচৰাচৰ সামাজিক ভাগবোৰৰ সন্দৰ্ভত পাঠ্যসমূহত ব্যৱহৃত আন এটা শব্দত প্ৰতিবিম্বিত হৈছে আৰু সেই শব্দটো হৈছে— জাতি। ব্ৰাহ্মণ্য সূত্ৰমতে, 'বৰ্ণ'ৰ দৰে 'জাতি'ও জন্মভিত্তিক। দৰাচলতে, যেতিয়া ব্ৰাহ্মণ্যবাদী কৰ্তৃত্বশীল লোকসকলৰ কিছুমান নতুন দল তথা গোট, যেনে— নিষাদ নাইবা চতুঃবৰ্ণ পদ্ধতিত সহজে খাপ নোখোৱা কিছুমান বৃত্তিধাৰী লোক যেনে— সোণাৰী তথা স্বৰ্ণকাৰসকলৰ সৈতে ভেটাভেটি হয়, তেতিয়া তেওঁলোকে এই লোকসকলক এটা নতুন নাম দিবলৈ বিচাৰে আৰু সেইমতে তেওঁলোকক একো একোটা শ্ৰেণীভুক্ত কৰি জাতি শব্দটো ব্যৱহাৰ কৰা হয়। এনে কেইবাটাও জাতিয়ে যেতিয়া একগোট হৈ এটা সাধাৰণ বৃত্তি বা জীৱিকাৰ অংশীদাৰ হয়, তেতিয়া তেওঁলোকে কেতিয়াবা শ্ৰেণী বা নিগম সংগঠন কৰাও দৃষ্টিগোচৰ হয়।

এনে দল বা গোটসমূহৰ বিষয়ে অভিলেখ বা ইতিহাস ৰচনা কৰিব পৰাকৈ নথি-পত্ৰ আমি কাচিৎহে পাওঁ। অৱশ্যে ইয়াৰ ব্যতিক্ৰম নোহোৱাও নহয়। এসময়ত দশপুৰ নামেৰে পৰিচিত বৰ্তমানৰ মান্দাছাৰ (মধ্যপ্ৰদেশ)লৈ কিদৰে আদিতে লাটা (গুজৰাট)ত বসবাস কৰা ৰেচম তাঁতিৰ এটা নিগমৰ প্ৰব্ৰজন ঘটিছিল সেই বিষয়ে আনুমানিক খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ বিষয়ে অৱগত হৈ এই ৰাজ্যত

বসবাসৰ মানসেৰে শিশু, আত্মীয়-স্বজন সমন্বিতে এই লোকসকলে এক কষ্টকৰ যাত্ৰাৰ অন্তত কিদৰে লক্ষ্যস্থানত উপনীত হৈছিলহি সেই বিষয়ে মান্দাছোৰ লিপিয়ে এটা বৰ্ণনা দাঙি ধৰিছে।

লিপিসমূহে জটিল সামাজিক প্ৰক্ৰিয়াবোৰৰ এক কৌতুহলোদ্দীপক আভাস দিয়ে আৰু নিগম বা শ্ৰেণীৰ প্ৰকৃত সম্বন্ধেও এক অন্তৰ্দৃষ্টি দান কৰে। যদিও ইয়াৰ সদস্যপদ হস্তশিল্পৰ বিশেষ দক্ষতাৰ দ্বাৰা উপাৰ্জিত লাভাংশৰ সমভোগৰ ওপৰত নিৰ্ভৰশীল, কিছুমান সদস্যই অন্যান্য জীৱিকাৰ পথ বিচাৰি লোৱাও দেখা যায়। তদুপৰি, এই সদস্যসকল যে কেৱল কোনো এটা সাধাৰণ বৃত্তিৰ অংশীদাৰহে আছিল এনে নহয়— কেতিয়াবা তেওঁলোকে হস্তশিল্পৰ দ্বাৰা আৰ্জিত অৰ্থৰে সূৰ্যদেৱতাৰ সন্মানাৰ্থে একো একোটা জকমকাই থকা বিৰাট আকৃতিৰ মন্দিৰো সাজিছিল।

### বণিকৰ বৃত্তি

সংস্কৃত পাঠ্য আৰু লিপিত বাণিজ্যৰ দ্বাৰা জীৱিকা অৰ্জন কৰা লোকক বুজাবলৈ বণিক শব্দটো ব্যৱহৃত হৈছে। যদিও শাস্ত্ৰসমূহে বেহা-বেপাৰ তথা বাণিজ্যক বৈশ্যসকলৰ বৃত্তি বুলি ব্যাখ্যা দিছে। খ্ৰীষ্টীয় প্ৰায় চতুৰ্থ শতিকাত ৰচিত শুদ্ৰকৰ মৃচ্ছকটিকা নাটককে আদি কৰি কিছুমান নাটকত (বৃত্তিৰ ক্ষেত্ৰত) অধিক জটিল পৰিস্থিতি দেখা গৈছে। উক্ত নাটকৰ নায়ক চাৰু দত্তক একেধাৰে ব্ৰাহ্মণ আৰু 'স্ব-অৰ্থবহ' তথা বণিক বুলি বৰ্ণনা দিয়া হৈছে। একেদৰে, পঞ্চম শতিকাৰ এখন লিপিত এটা মন্দিৰৰ বাবে দান আগবঢ়োৱা দুজন ভাতৃ ক্ষত্ৰিয়-বণিক হিচাপে উল্লেখিত হৈছে।

*উৎস ৮*

### ৰেচম তাঁতিসকলে কি কৰিছিল

সংস্কৃতত লিখা এখন লিপিৰ উদ্ধৃতি মতে ঃ

তেওঁলোকৰ কোনো কোনোজন শ্ৰুতিমধুৰ সঙ্গীতৰ সৈতে নিবিড়ভাৱে সংযোজিত, অন্যান্যসকলৰ কোনোজন হয়তো এশমান জীৱনী (লেখক হিচাপে)ৰ ভেমতে গঙ্গাটোপ। একো একোজন প্ৰায়ে বিস্ময়কৰ কাহিনীৰ সৈতে পৰিচিত হোৱাত ব্যস্ত, কোনো কোনোৱে বিনম্ৰ আৰু ভক্তিভাৱে ধৰ্মালোচনাত নিমগ্ন... কোনোজন হয়তো ব্যক্তিগতভাৱে ধৰ্মীয় ৰীতি-নীতি পালনত ব্যুৎপত্তি লাভৰ বাবে সচেষ্ট, ইয়াৰে কোনোৱে আন বহুতৰ দৰে নিজক লৈ নিজেই ব্যস্ত, যুদ্ধ-বিগ্ৰহত নিজ নিজ তেজস্বীতাৰ প্ৰমাণ দিয়া বহুতে আনকি আজিলৈকে বলপূৰ্বকভাৱে শত্ৰুৰ ক্ষতি সাধনৰ বাবে দৃঢ়প্ৰতিজ্ঞ।

➲ ৰেচম তাঁতিসকলে বৃত্তিৰ ক্ষেত্ৰত তেওঁলোকৰ বাবে নিৰ্দিষ্ট শাস্ত্ৰৰ বিধান মানি চলিছিল বুলি তুমি ভাবানে?

### ৩.৪ চতুঃবৰ্ণৰ সিপাৰে ঃ

উপ-মহাদেশখনৰ বৈচিত্ৰ্যতালৈ লক্ষ্য কৰিলে দেখা যায় যে, ইয়াত অতীজ আৰু আনকি আজিও প্ৰতিদিনে সামাজিক অভ্যাসবোৰ ব্ৰাহ্মাণ্য ধাৰণাৰ দ্বাৰা প্ৰভৱান্বিত নহয়। পেট প্ৰৱৰ্তনৰ বাবে চিকাৰ আৰু সংগ্ৰহক গুৰুত্বপূৰ্ণ উপায় হিচাপে গ্ৰহণ কৰা অৰণ্যবাসী লোককে ধৰি বহুজন বিষয়ে সংস্কৃত পুথিত অসমান, অভদ্ৰ আৰু আনকি পশুবৎ বুলিও বৰ্ণনা কৰা দেখা যায়। এই শ্ৰেণীৰ অন্তৰ্গত একলব্য নামৰ নিষাদজনক ইয়াৰ প্ৰমাণ হিচাপে আঙুলিয়াব পাৰি।

ইয়াৰ বাহিৰে, যিসকলক সন্দেহজনক বুলি ধৰা হয়, তেওঁলোকৰ ভিতৰত অঘৰী পশুপালকসকল অন্যতম। এনে লোকক কৃষিজাত লোকৰ বসতিস্থানত সহজে বসবাস কৰিবলৈ দিয়া নহয়। কেতিয়াবা সংস্কৃত ভাষা-গোষ্ঠীৰ বাহিৰৰ দুৰ্বোধ্য ভাষা ব্যৱহাৰ কৰা লোকক ম্লেছ বুলি হেঞ চকুৰে চোৱা হয়। তথাপি, কেতিয়াবা আটাইবোৰ লোকৰ মাজত ধাৰণা আৰু বিশ্বাসৰ আদান-প্ৰদানো ঘটে। মহাভাৰতৰ কিছুমান কাহিনীত এনে সম্বন্ধৰ চৰিত্ৰ দৃষ্টিগোচৰ হৈছে।

## ৩.৫ চতুঃবৰ্ণৰ সিপাৰে ঃ সংহতি

### আনুগত্য আৰু মতদ্বন্দ্ব

ব্ৰাহ্মণসকলে কিছুমান লোকক ব্ৰাহ্মণ্য বিধানৰ বহিৰ্ভূত বুলি গণ্য কৰাৰ ওপৰি আন এচামক 'অস্পৃশ্য' বুলি অভিহিত কৰাত আৰু এটা তীক্ষ্ণতৰ সামাজিক

উৎস ৯

**এজন ব্যাঘ্ৰ সদৃশ স্বামী**

মহাভাৰতৰ আদি পৰ্বৰ এটি কাহিনীৰ সাৰাংশ ঃ

পাণ্ডৱসকলে অৰণ্যত সোমালগৈ আৰু ভাগৰতে টোপনিত লালকাল দিলে। কেৱল মহাবলী বুলি খ্যাত দ্বিতীয়জন পাণ্ডৱৰ ভাতৃ ভীমেহে পহৰা দি থাকিল। এনেতে এজন নৰমাংসভোজী ৰাক্ষসে পাণ্ডৱসকলৰ গোন্ধ পাই তেওঁলোকক ধৰি আনিবলৈ নিগ ভগ্নী হিড়িম্বাক পাচিলে। কিন্তু ভীমক দেখি হিড়িম্বা ইমান মুগ্ধ হ'ল যে, এগৰাকী দিপলিপ গাভৰুৰ ৰূপ লৈ তেওঁ ভীমক বিবাহৰ প্ৰস্তাৱ দিলে। ভীমে কিন্তু তেওঁৰ প্ৰস্তাৱ নাকচ কৰিলে। ইতিমধ্যে, ৰাক্ষসজনো আহি উপস্থিত হ'ল আৰু ভীমক মল্লযুদ্ধলৈ প্ৰত্যাহ্বান জনালে। ভীমে এই প্ৰত্যাহ্বানত সঁহাৰি দি ৰাক্ষসজনক মাৰি থ'লে। মল্লযুদ্ধৰ শব্দত বাকীবোৰেও সাৰ পালে। হিড়িম্বাই নিজৰ চিনাকি দি ভীমৰ প্ৰতি প্ৰেমৰ বিষয়ে ব্যক্ত কৰি কুন্তীক এইবুলি কাকুতি-মিনতি কৰিবলৈ ধৰিলে— 'হে মহিয়সী নাৰী, মই মোৰ বন্ধু-বান্ধৱ, ধৰ্ম আৰু আত্মীয়-স্বজন সকলোকে ত্যাগ কৰি আপোনাৰ বাঘৰ দৰে পুত্ৰজনক নিজ পতি হিচাপে মানস কৰিছো... হে মহিয়সী নাৰী, আপুনি মোক মূৰ্খ নাইবা এগৰাকী বাধ্য দাসী, যি বুলিয়েই নাভাবক কিয়, আপোনাৰ পুত্ৰক স্বামী বৰণ কৰি আপোনাসৱৰ সৈতে থাকিবলৈ দিয়ক।

অৱশেষত, যুধিষ্ঠিৰে এটা চৰ্তত এই বিবাহৰ অনুমতি দিলে যে, (বিবাহিত দম্পতীয়ে) দিনটো একেলগে কটাব কিন্তু প্ৰতি নিশা ভীমে উভতি আহিব লাগিব। সেইমতে দম্পতিহালে দিনটো একেলগে সমগ্ৰ পৃথিৱীখনতে ঘূৰি-পকি ফুৰিলে। উপযুক্ত সময়ত হিড়িম্বাই এটা ৰাক্ষস পুত্ৰ জন্ম দিয়াত শিশুটিৰ নাম থোৱা হ'ল ঘটোৎকচ। ইয়াৰ পিছত মাক-পুতেক দুয়ো পাণ্ডৱসকলক এৰি গ'লগৈ। বিদায় পৰত ঘটোৎকচে অঙ্গীকাৰ কৰি গ'ল যে, পাণ্ডৱসকলে যেতিয়াই তেওঁৰ প্ৰয়োজনবোধ কৰে, তেওঁ তেতিয়াই আহিব।

কোনো কোনো ঐতিহাসিকে ভাবে যে, যিসকল লোকৰ ক্ৰিয়া-কৰ্মৰ ব্ৰাহ্মণ্য পাঠ্যৰ সৈতে সাদৃশ্য নাই, তেনে লোকৰ উদ্দেশ্যেহে ৰাক্ষস শব্দটো ব্যৱহৃত হৈছিল।


➲ এই কাহিনীত বৰ্ণিত কোনবোৰ ক্ৰিয়াকাণ্ড অব্ৰাহ্মণ্য যেন অনুভৱ হয়?

শ্ৰেণী বিভাজনৰ উদ্ভৱ ঘটিছিল। কিছুমান ক্ৰিয়াকৰ্ম, বিশেষকৈ, যিবোৰ ধৰ্মীয় ৰীতি-নীতিৰ সৈতে জড়িত, সেইবোৰ পবিত্ৰ আৰু বিস্তাৰিতভাৱে নিৰ্ভেজাল আৰু শুচি বুলি থকা এটা ধাৰণাক ভিত্তি কৰি ব্ৰাহ্মণসকলৰ এনে মনোভাৱ গঢ়ি উঠিছিল। যিসকলে নিজকে শুচি বুলি ভাবিছিল, সেইসকলে 'অস্পৃশ্য' আখ্যা দিয়া লোকৰ হাতৰ পৰা খাদ্য গ্ৰহণ নকৰিছিল। 'শুচি' বিষয়টোৰ সৈতে সূক্ষ্মভাৱে

ৰিজনি কৰিলে দেখা যায় যে, কিছুমান ক্ৰিয়াকৰ্মক বিশেষভাৱে অশুচি বুলিও ধৰা হৈছিল। মানুহ আৰু পশু-পক্ষীৰ মৃতদেহ দাহ কাৰ্যাদিত নিযুক্ত লোকসকলক চন্দাল নাম দি তেওঁলোকৰ বাবে সামাজিক শ্ৰেণীক্ৰমৰ আটাইতকৈ নিম্ন স্থান নিৰ্ধাৰণ কৰা হৈছিল। যিসকলে নিজকে বিভাজিত সামাজিক শ্ৰেণীৰ সৰ্বোচ্চ স্থানৰ অধিকাৰী বুলি গণ্য কৰিছিল, তেওঁলোকে অস্পৃশ্যসকলক স্পৰ্শ কৰাটো দূৰৈৰ কথা, কোনো কোনো ক্ষেত্ৰত তেওঁলোকক আনকি প্ৰত্যক্ষ কৰিলেও নিজকে অশুচি হোৱা বুলি মানিছিল।

মনুস্মৃতিত চন্দালসকলৰ 'কৰ্তব্যসমূহ' নিৰ্ধাৰিত হৈছিল আৰু সেইমৰ্মে তেওঁলোকে গাঁৱৰ বাহিৰতো বাস কৰিবলগীয়াত পৰিছিল। তেওঁলোকে ব্যৱহাৰ কৰিছিল পেলনীয়া বাচন-পত্ৰ আৰু পিন্ধিছিল লোৰ অলঙ্কাৰ, মৃতকৰ কাপোৰ-কানি আদি। নিশাৰ ভাগত তেওঁলোকৰ বাবে গাঁও বা নগৰত প্ৰৱেশ নিষেধ আছিল। আত্মীয়-স্বজন নথকা লোকৰ মৃতদেহ সৎকাৰ কৰাটোও আছিল তেওঁলোকৰ দায়িত্ব। আৱশ্যকানুযায়ী তেওঁলোকক ঘাতক হোৱাও দেখা গৈছিল। বহু দিনৰ পিছত ভাৰত ভ্ৰমণলৈ অহা চীন দেশৰ বৌদ্ধ ভিক্ষু আৰু পৰিব্ৰাজক ফা-হিয়ালে (প্ৰায় খ্ৰীষ্টীয় পঞ্চম শতিকাত) লিখি গৈছে যে, চন্দালসকলে হাতত টকা বা কেটেপা (কেটেপ কেটেপকৈ শব্দ কৰা এবিধ বাদ্যযন্ত্ৰ) লৈ ফুৰিছিল যাতে, জনসাধাৰণে সেই শব্দ শুনি সতৰ্ক হৈ তেওঁলোকলৈ দৃষ্টি দিয়াৰ পৰা বিৰত হ'ব পাৰে। আন এজন চীনা তীৰ্থযাত্ৰী ছুৱান জাঙ (প্ৰায় খ্ৰীষ্টীয় সপ্তম শতাব্দী)ৰ মতে, ঘাতক আৰু যিসকল লোকে ৰাজহুৱা স্থান পৰিস্কাৰ কৰি গেলা-পচা, নষ্ট বস্তু খাই জীৱন নিৰ্বাহ কৰা লোকক বলপূৰ্বকভাৱে নগৰৰ বৰ্হিভাগত থাকিবলৈ বাধ্য কৰা হৈছিল। চন্দালসকলৰ জীৱন ধাৰণ সম্বন্ধে এক প্ৰতিচ্ছবি দাঙি ধৰিবলৈ চেষ্টা কৰা অব্ৰাহ্মণ্য পাঠ্যসমূহ পৰীক্ষা কৰি দেখা গৈছে যে, এইবোৰ পঢ়ি-শুনি ঐতিহাসিকসকলে এটা প্ৰশ্নৰ উত্তৰ বিচাৰিছিল। প্ৰশ্নটো হ'ল, শাস্ত্ৰৰ প্ৰধান বিধানসমূহে চন্দালসকলৰ বাবে যিধৰণৰ এটা অধঃপতিত জীৱন নিৰ্ধাৰণ কৰিছে, সেইটো তেওঁলোকে মানি চলিছিলনে? কোনো কোনো সময়ত এনে প্ৰতিচ্ছবিসমূহৰ সৈতে ব্ৰাহ্মণ্য পাঠ্যৰ সাদৃশ্য থাকে। কিন্তু কাচিৎ এইবোৰে বিভিন্ন সমাজৰ বাস্তৱ সত্যৰ সংকেত দিয়াও দেখা যায়।

*নক্সা ৩.৬*
*শিলত কটা এই ভাস্কৰ্যত এজন ভিক্ষুৱে ভিক্ষা বিচাৰি অহা দেখা গৈছে। গান্ধাৰত প্ৰাপ্ত এই ভাস্কৰ্যটো আনুমানিক খ্ৰীষ্টীয় তৃতীয় শতিকাত নিৰ্মিত।*



উৎস ১০

## চন্দালৰূপী বোধিসত্ত্বৰ কাহিনী

সমাজৰ একেবাৰে নিম্নস্থানলৈ চন্দালসকলক ঠেলি দিয়াৰ প্ৰচেষ্টাটোক তেওঁলোকে কেতিয়াবা বাধা দিছিলনে? পালি ভাষাত লিখা মতেঙ্গজাতক নামৰ পাঠ্যখনৰ অন্তৰ্গত এই কাহিনীটো পঢ়িলে এবাৰ বোধিসত্ত্বই চন্দালৰ ৰূপ ধাৰণ কৰাৰ বিষয়ে গম পাবা। (বোধিসত্ত্ব হ'ল বুদ্ধদেৱৰ পূৰ্বজন্মৰ ৰূপ)।

এবাৰ বোধিসত্ত্বই বাৰানসী নগৰৰ এজন চন্দালৰ পুত্ৰ হিচাপে জন্ম লোৱাত তেওঁৰ নাম ৰখা হয় মাতঙ্গ। এদিন কোনো কাৰণবশতঃ মাতঙ্গ নগৰলৈ যোৱাত এজন বণিকৰ কন্যা দিত্থা মঙ্গলিকাৰ সৈতে তেওঁৰ মনোমালিন্য হয়। দিত্থাই তেওঁক দেখাৰ লগে লগে উচপ খাই চিঞৰি উঠিল, 'মই কিবা অশুভ দেখিছো' আৰু ইয়াকে কৈ তাই নিজ চকুযুৰি ধুই পেলালে। লগে লগে ওচৰে-পাজৰে থকা কিছুমান লোকে বিনা কাৰণত খং দেখুৱাই মাতঙ্গক বেয়াকৈ মাৰ-ধৰ কৰিলে। এই ঘটনাৰ প্ৰতিবাদ জনাই মাতঙ্গই দিত্থাৰ পিতৃগৃহৰ দুৱাৰদলিত দীঘল দি পৰিলগৈ। এইদৰে পৰি থকাৰ সপ্তম দিনত দিত্থাৰ পিতৃয়ে তাইক ঘৰৰ পৰা উলিয়াই আনি মাতঙ্গক গটাই দিলে, ইয়াৰ পিছত তাই ভোকত কলমলাই থকা মাতঙ্গক চন্দালসকলৰ বসতি স্থানলৈ উভটাই নিলে। ঘৰলৈ আহি মাতঙ্গই সংসাৰ ত্যাগ কৰিবলৈ মনস্থ কৰিলে। কিছু কালৰ মূৰকত তেওঁ সিদ্ধি লাভ কৰি পুনৰ বাৰানসীলৈ আহি দিত্থাৰ সৈতে বিবাহপাশত আবদ্ধ হ'ল। যথাসময়ত তেওঁলোকৰ এটি পুত্ৰ জন্ম হোৱাত তাৰ নাম দিয়া হ'ল মাণ্ডব্যকুমাৰ। শিশুটি ডাঙৰ-দীঘল হৈ তিনিওখন বেদ অধ্যয়ন কৰাৰ লগতে নিতৌ ১৬০০০ ব্ৰাহ্মণক অন্নদান কৰিবলৈ ল'লে।

এদিন মাতঙ্গই ফটা কাপোৰ পিন্ধি হাতত ভিক্ষাৰ পাত্ৰ লৈ নিজ পুত্ৰৰ দুৱাৰত থিয় দি কিবা খাবলৈ বিচাৰিলে। কিন্তু মাণ্ডব্যই ক'লে যে ভিক্ষাৰীজন দেখাতেই নীহকুলীয়া আৰু সেইবাবে তেওঁ ব্ৰাহ্মণৰ বাবে যুগুত কৰি থোৱা খাদ্য ভিক্ষাৰ অযোগ্য। মাতঙ্গই তেতিয়া এইদৰে কোৱা শুনা গ'ল, 'যিসকল লোক নিজৰ জন্মসূত্ৰক লৈ গৌৰৱান্বিত আৰু অবুজ, তেনে লোক উপহাৰৰ বাবে অযোগ্য। ইয়াৰ বিপৰীতে যিসকল পাপমুক্ত তেওঁলোকেহে নৈবেদ্য আগবঢ়োৱাৰ যোগ্য।' এই মন্তব্য কাণত পৰাৰ লগে লগে মাণ্ডব্যই খঙতে টিঙিৰি তুলা হৈ ভিক্ষাৰীজনক বাহিৰ কৰি দিবলৈ দাসসকলক নিৰ্দেশ দিলে। তেতিয়া মাতঙ্গই বতাহত শূন্যতে উপঙি লাহে লাহে অদৃশ্য হৈ গ'ল। ঘটনাটো গম পাই দিত্থা মঙ্গলিকাই মাতঙ্গৰ পিছে পিছে গৈ তেওঁৰ ওচৰত ক্ষমা ভিক্ষা কৰিলে। তেতিয়া মাতঙ্গই তেওঁৰ ভিক্ষা পাত্ৰত থকা উচ্ছিষ্টৰ পৰা দিত্থাক অলপমান ল'বলৈ দি এইবুলি ক'লে যে, যোৱা এইখিনিকে মাণ্ডব্য আৰু ব্ৰাহ্মণসকলক দিয়াগৈ।

➲ এই কাহিনীটোৰ যিবোৰ উপাদানে ইয়াক মাতঙ্গৰ সত্য দৰ্শনৰ ওপৰত ভিত্তি কৰি লিখা বুলি ইঙ্গিত দিছে, সেইবোৰ চিনাক্ত কৰা।

**➲ আলোচনা কৰা...**

পুথিখনৰ এই খণ্ডটোত উল্লেখিত উৎসৰ কোনটোৱে ইঙ্গিত দিছে যে, জনসাধাৰণে ব্ৰাহ্মণসকলৰ বিধান মতে বৃত্তি বাচি লৈছিল? কোন কোন উৎসই অন্যান্য সম্ভাৱনাৰ ইঙ্গিত বহন কৰিছে?

## ৪. জন্মসূত্ৰই ঢুকি নোপোৱা সম্পদ আৰু মৰ্যাদাসমূহ

যদি তোমালোকে দ্বিতীয় অধ্যায়ৰ অৰ্থনৈতিক সম্বন্ধ সংক্ৰান্ত আলোচনালৈ উভটি চোৱা, তেতিয়া সমগ্ৰ উপ-মহাদেশখনৰ বিভিন্ন স্থানত দাস, ভূমিহীন, কৃষক-শ্ৰমিক, চিকাৰী, মাছমৰীয়া, পশুপালক, গাঁৱৰ মুখিয়াল, হস্তশিল্পী, বণিক, ৰজা আদিৰ সামাজিক নায়ক হিচাপে উদ্‌গমন ঘটা দেখিবলৈ পাবাহঁক। সাধাৰণতে অৰ্থনৈতিক উন্নতিয়ে প্ৰায়ে এনে লোকসকলৰ সামাজিক স্থান নিৰ্ণয় কৰিছিল। অৰ্থাগমনে কিধৰণৰ সামাজিক তাৎপৰ্য বহন কৰে, আমি এতিয়া সেইটোকে পৰীক্ষা কৰি চাম।

### ৪.১ লিঙ্গ প্ৰকৰণৰ দ্বাৰা নিয়ন্ত্ৰিত সম্পদ আহৰণৰ পথ

এইক্ষেত্ৰত পোন প্ৰথমে মহাভাৰতৰ এটা বহুচৰ্চিত কাহিনীৰ কথাকে ধৰা যাওক। কৌৰৱ আৰু পাণ্ডৱৰ সুদীৰ্ঘ প্ৰতিদ্বন্দ্বিতাৰ কালছোৱাত দৰ্যোধনে যুধিষ্ঠিৰক পাশা খেললৈ আমন্ত্ৰণ জনাইছিল। কিন্তু পিছৰজন খেলুৱৈ (যুধিষ্ঠিৰ)য়ে প্ৰতাৰণাৰ বলি হৈ এটা এটাকৈ ধন-সোণ, হাতী, ৰথ, দাস, সৈন্য ধনৰ ভঁৰাল, ৰাজ্য, প্ৰজাৰ সা-সম্পত্তি, নিজ ভাতৃসকল আৰু শেষত আনকি নিজকো বাজীত লগাই সকলোতে পৰাজিত হ'ল। তেতিয়া তেওঁ পাণ্ডৱ ভাতৃসকলৰ উমৈহতীয়া পত্নী দ্ৰৌপদীকো খেলত বাজি ধৰি হেৰুৱাবলগীয়াত পৰিল।

এতিয়া এই ঘটনাই সম্পত্তিৰ মালিকত্বৰ প্ৰশ্নটোৰ অৱতাৰণা ঘটালে (উৎস ১১)। কোৱা বাহুল্য যে, ধৰ্মসূত্ৰ আৰু ধৰ্মশাস্ত্ৰতে একেধৰণৰ প্ৰশ্ন উত্থাপিত নোহোৱা নহয়। মনুস্মৃতিৰ বিধানমতে, পিতৃ-মাতৃৰ পিছত সা-সম্পত্তি পুত্ৰসকলৰ মাজত সমানে ভাগ হয় যদিও তেওঁলোকৰ জ্যেষ্ঠতমজনৰ ভাগৰ পৰিমাণ হয় অধিক। নাৰীসকলৰ ক্ষেত্ৰত মনুস্মৃতিয়ে তেওঁলোকে সা-সম্পত্তিৰ কোনো ভাগ দাবী কৰিব নোৱাৰে বুলিও স্পষ্ট কৰি দিছে।

অৱশ্যে, বিবাহৰ সময়ত নাৰীয়ে যিবোৰ উপহাৰ লাভ কৰে, সেইবোৰ তেওঁ স্ত্ৰীধন হিচাপে নিজৰ লগত ৰাখিব পাৰে। তেওঁৰ মৃত্যু হ'লে স্বামীজনৰ সেই ধনৰ ওপৰত দাবী নথকাৰ বাবে ইয়াৰ ভাগ পাব তেওঁৰ সন্তানসকলেহে। আনহাতে মনুস্মৃতিয়ে নাৰীক তেওঁৰ স্বামীৰ বিনানুমতিত ব্যক্তিগত মূল্যৱান সামগ্ৰীকে ধৰি পৰিয়ালৰ কোনো ধৰণৰ সম্পত্তি লুক্কায়িতভাৱে জমা নকৰিবলৈ সতৰ্ক কৰি দিছে।

তোমালোকে ইতিমধ্যে বাকাটকসকলৰ ৰাণ প্ৰভাৱতী গুপ্তাৰ দৰে সম্পদশালী নাৰীৰ বিষয়ে অধ্যয়ন কৰিছাহঁক (দ্বিতীয় অধ্যায়ত চোৱা)। অৱশ্যে, লিপি আৰু পাঠ্য উভয়তে পুঞ্জীভূত হৈ থকা সাক্ষ্যসমূহৰ দ্বাৰা এইটোৱেই প্ৰতীয়মান হয় যে, যদিও উচ্চশ্ৰেণীৰ নাৰীসকলৰ সম্পদৰ ক্ষেত্ৰত প্ৰৱেশাধিকাৰ আছিল, যথাৰ্থতে ভূমি, গোধন আৰু টকা-পইচা আদি সাধাৰণতে পুৰুষৰহে নিয়ন্ত্ৰণাধীন আছিল। সহজ ভাষাত সম্পদৰ অধিকাৰৰ ক্ষেত্ৰত থকা বৈষম্যৰ প্ৰশ্নই নাৰী আৰু পুৰুষৰ মাজত থকা সামাজিক সম্পৰ্কটোও শাপিত কৰি তুলিছিল।

উৎস ১১

**দ্ৰৌপদীৰ প্ৰশ্ন**

**দ্ৰৌপদীয়ে যুধিষ্ঠিৰক প্ৰশ্ন কৰিছিল যে, তেওঁ পাশা খেলত তেওঁক (দ্ৰৌপদীক) বাজী ধৰাৰ পূৰ্বে নে পিছত হাৰিছিল? ইয়াৰ উত্তৰত যি দুটা বিপৰীতধৰ্মী মন্তব্য শুনা গৈছিল, তাৰ প্ৰথমটো হ'ল—**

**যদি পূৰ্বে হাৰিছিল, তথাপি পত্নী হিচাপে দ্ৰৌপদী যিহেতু তেওঁৰ বশত আছিল, সেইবাবে যুধিষ্ঠিৰৰ নিজ পত্নীক বাজী ধৰাৰ (অধিকাৰ) আছিল।**

**দ্বিতীয়তে, যুধিষ্ঠিৰৰ দৰে এজন অমুক্ত (যিহেতু তেওঁ নিজকো বাজীত হাৰিছিল, তেনে এজনে আন এজনক বাজী ধৰিব নোৱাৰে।**

➲ তোমাৰ বিচাৰত এই কাহিনীটোৰ যোগেদি স্বামীয়ে পত্নীক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিব পাৰে বুলি ক'বলৈ বিচৰা হৈছে নেকি?

উৎস ১২

**পুৰুষ আৰু মহিলাই কিদৰে সম্পদ আহৰণ কৰিব পাৰে?**

মনুস্মৃতিয়ে পুৰুষসকলৰ উপাৰ্জনৰ ক্ষেত্ৰত মুঠতে যি সাতটা উপায় ঘোষণা কৰিছে, সেইকেইটি হ'ল ঃ উত্তৰাধিকাৰ বিচাৰি তথা অনুসন্ধান কৰি উলিওৱা, ক্ৰয়, বিজয়, কোনো কামত ধন খটোৱা, কৰ্ম আৰু সজ্জনৰ পৰা উপহাৰ গ্ৰহণ।

নাৰীৰ ক্ষেত্ৰত এনে মুঠ ছয়টা উপায়ৰ অন্যতম হ'ল ঃ (বিবাহৰ সময়ত) অগ্নিক সাক্ষী কৰি আগবঢ়োৱা সম্পদ, শোভাযাত্ৰা কৰি কইনা অনাৰ সময়ত নাইবা মৰম-চেনেহেৰে দিয়া বিভিন্ন উপহাৰ, পিতৃ-মাতৃ আৰু ভাতৃৰ পৰা প্ৰাপ্ত ধন-সোণ আদি। ইয়াৰ উপৰি (বিবাহৰ পাছত) প্ৰাপ্ত উপহাৰ আৰু 'মৰমিয়াল' স্বামীয়ে যি দিয়ে সকলোবোৰ নাৰীৰ সম্পদ বুলি ধৰা হয়।

⊃ পুৰুষ আৰু নাৰীয়ে সম্পদ আহৰণৰ বাবে গ্ৰহণ কৰা উপায়সমূহৰ তুলনা কৰি ইয়াৰ পাৰ্থক্যসমূহ বাচি উলিওৱা।

### ৪.২ বৰ্ণ আৰু সম্পদ আহৰণ

ব্ৰাহ্মণ্য পাঠ্যৰ মতে লিঙ্গ প্ৰকৰণ ভিত্তিক বিবেচনাৰ উপৰি সম্পদ আহৰণৰ পথ নিয়ন্ত্ৰণ কৰা আন এটা উপায় হ'ল বৰ্ণ। আমি ইতিমধ্যে লক্ষ্য কৰিছো যে, শুদ্ৰসকলৰ জীৱিকাৰ বাবে নিৰ্ধাৰিত পথ আছিল একেটাই আৰু সেইটো হ'ল দাসত্ব তথা গোলামী। কিন্তু আনহাতে প্ৰথম তিনিটা বৰ্ণৰ পুৰুষৰ বাবে নিৰ্ধাৰিত হৈছে বিভিন্ন ধৰণৰ অৰ্থোপাৰ্জনৰ পথ। যদি মনুস্মৃতিৰ এই চৰ্তসমূহ বাস্তৱিকতে পালন কৰা হৈছিল, তেন্তে ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়সকলকেই আটাইতকৈ সম্পদশালী বুলি ধৰিব লাগিব। সামাজিক জীৱনৰ বাস্তৱ ক্ষেত্ৰত প্ৰাচীন পাঠ্যসমূহত ব্ৰাহ্মণ আৰু ৰজাসকলৰ বিষয়ে দিয়া বৰ্ণনাৰ সৈতে এই তথ্যৰ কিছু পৰিমাণে হ'লেও মিল দেখা গৈছে। এই ৰজাসকলৰ প্ৰায় সকলো ক্ষেত্ৰতে নিশ্চিতভাৱে সম্পদশালী বুলি অঙ্কিত হৈছে; পুৰোহিতসকল চিহ্নিত হৈছে বিত্তশালী বুলি; কিন্তু দৰিদ্ৰ ব্ৰাহ্মণসকলৰ বিষয়ে অ'ত-ত'ত কাচিৎহে সামান্যভাৱে বৰ্ণনা পোৱা গৈছে।

যিসময়ত ব্ৰাহ্মণ্য মতামতসমূহ ধৰ্মসূত্ৰ আৰু ধৰ্মশাস্ত্ৰই লিপিবদ্ধ কৰিছে, সেই সময়ত আন এটা স্তৰত কিছুমান প্ৰাচীন পৰম্পৰাৰ পাঠ্যত বৰ্ণপ্ৰথাৰ সমালোচনাই গা কৰি উঠা পৰিলক্ষিত হৈছে। এনে কিছুসংখ্যক উল্লেখনীয় পাঠ্য বৌদ্ধ ধৰ্ম প্ৰচাৰৰ প্ৰথম কালছোৱাত (আনুমানিক খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ পৰা আৰম্ভ কৰি ক্ৰমান্বয়ে আগলৈ) পূৰ্ণ ৰূপ দিয়াৰ প্ৰচেষ্টা হাতত লোৱা হৈছিল (চতুৰ্থ অধ্যায়ত চোৱা)। অৱশ্যে, বৌদ্ধসকলে সমাজত বহু বিভেদ থকাৰ বিষয়ে হয়ভৰ দিছে যদিও স্বাভাৱিক নাইবা অপৰিৱৰ্তনীয় বুলি ব্যক্ত কৰাৰ পৰা বিৰত আছে। তেওঁলোকে জন্মসূত্ৰে মৰ্যাদা দাবী কৰা আহিঁটোও অগ্ৰাহ্য কৰিছে।

উৎস ১৩

## বিত্তশালী শুদ্ৰসকল

পালি ভাষাত লিখা বৌদ্ধ পাঠ্য মাজ্জহিমা নিকায়ত সন্নিৱিষ্ট অৱন্তীপুত্ত নামৰ এজন ৰজা আৰু বুদ্ধদেৱৰ শিষ্য কাচ্চনাৰ কথোপকথনৰ অংশবিশেষ এই কাহিনীযোগে পৰিৱেশিত হৈছে। প্ৰকৃতপক্ষে, এইটো এটা সত্য কাহিনী নহ'বও পাৰে যদিও, যিহেতু ইয়াৰ যোগেদি বৰ্ণ সম্পৰ্কে বৌদ্ধসকলৰ ধাৰণাৰ ইঙ্গিত পোৱা গৈছে (সেইবাবে, ইয়াৰ এক বিশেষ মূল্য আছে)।

ব্ৰাহ্মণসকলে সততে কৰা কিছুমান দাবীৰ প্ৰতি অৱন্তীপুত্তই কাচ্চনাৰ দৃষ্টি আকৰ্ষণ কৰি কৈছিল যে, তেওঁলোকে নিজক সৰ্বোত্তম বৰ্ণ আৰু আন আটাইবোৰ লোককে 'নীচ বৰ্ণ'ৰ বুলি কোৱাৰ উপৰি এনেবোৰ দাবীও কৰে যে, আন কিছুমানৰ বৰণ ক'লা হোৱাৰ বিপৰীতে এওঁলোকৰ বৰণ শুভ্ৰ আৰু কেৱল তেওঁলোকহে নিভাঁজ— অব্ৰাহ্মণসকল নহয়। (ইয়াতে ক্ষান্ত নাথাকি) তেওঁলোকে এইবুলিও প্ৰতিপন্ন কৰিব বিচাৰে যে, তেওঁলোক দেৱতা ব্ৰহ্মাৰ পুত্ৰ আৰু ব্ৰহ্মাৰ মুখেদি তেওঁলোকৰ জন্ম হৈছে। তেওঁলোকৰ জন্ম হৈছে ব্ৰহ্মাৰ পৰা, তেওঁলোকক গঢ় দিছে (স্বয়ং) ব্ৰহ্মাই আৰু তেওঁলোকেই ব্ৰহ্মাৰ উত্তৰাধিকাৰী। এই কথাখিনি কৈ অৱন্তীপুত্তই ব্ৰাহ্মণসকলৰ সম্পৰ্কে কাচ্চনৰ মতামত কি বুলি প্ৰশ্ন কৰিছিল। উত্তৰত কাচ্চনাই কৈছিল— শুদ্ৰ এজন যেনিবা বিত্তপালী হ'লেই... তেওঁৰ সৈতে আন এজন শুদ্ৰ... নাইবা ক্ষত্ৰিয়, ব্ৰাহ্মণ বা বৈশ্যই বিনম্ৰভাৱে কথা-বতৰা পাতিবনে?

এই প্ৰশ্নটোৰ উত্তৰ অৱন্তীপুত্তই এইদৰে দিছিল যে, যদি এজন শুদ্ৰৰ সা-সম্পদ অথবা খাদ্যশস্য, সোণ-ৰূপ আদি থাকে তেন্তে তেওঁ আন এজন শুদ্ৰক তেওঁৰ বিশ্বাসী লগুৱা হিচাপে ল'ব পাৰিব। এই লগুৱাজনে তেওঁৰ গৰাকী শুদ্ৰজনক শুই উঠাৰ পূৰ্বে শোৱাপাটী এৰিব আৰু তেওঁ বিশ্ৰাম লোৱাৰ পিছতহে নিজে বিশ্ৰাম ল'ব। লগুৱাজনে গৰাকীৰ আজ্ঞা বহন কৰিব আৰু তেওঁৰ সন্মুখত নম্ৰভাৱে কথা ক'ব। বিত্তশালী শুদ্ৰজনে আনকি তেওঁৰ আজ্ঞাবাহী লগুৱা হিচাপে এজন ক্ষত্ৰিয় বা ব্ৰাহ্মণ বা বৈশ্যকো নিযুক্ত কৰিব পাৰে।

কাচ্চানাই সুধিলে— যদি আপুনি কোৱাটোৱেই হয়, তেন্তে এই আটাইকেইটা বৰ্ণ প্ৰকৃতপক্ষে এক নহয়নে?

তেতিয়া কাচ্চানায়ো তেওঁৰ কথাত হয়ভৰ দি এইবুলি অভিমত দিলে যে,

➲ অৱন্তীপুত্তৰ প্ৰথম উক্তিটো আকৌ এবাৰ পঢ়া। ব্ৰাহ্মণ্য পাঠ্য/পৰম্পৰাগত প্ৰাচীন সাহিত্যৰ পৰা ইয়াৰ কি কি ধাৰণা লোৱা হৈছে? ইয়াৰ যিকোনো এটা উৎস তুমি বিচাৰি উলিয়াব পাৰিবানে?
এই পাঠ্যৰ মতে, সামাজিক বৈসাদৃশ্যতাক কিদৰে ব্যাখ্যা কৰা হয়?

### ৪.৩ এটা বৈকল্প সামাজিক দৃশ্য

#### সম্পদৰ ভাগ গ্ৰহণ

এতিয়ালৈকে আমি লক্ষ্য কৰিলো যে, পৰিস্থিতি সাপেক্ষে কিদৰে মানুহে সম্পদৰ ওপৰত ভিত্তি কৰি মৰ্যাদা দাবী কৰে নাইবা আন লোকেও একে কাৰণবশতঃ তেওঁলোকক মৰ্যাদা দিয়ে। অৱশ্যে এইক্ষেত্ৰত আন কিছুমান সম্ভাৱনাও নোহোৱা নহয়। যেনে, হাত উবুৰিকৈ দান দিয়া লোকসকলক সকলোৱে সন্মান কৰে, কিন্তু যিসকল লোক কৃপণ আৰু কেৱল নিজৰ বাবে বিশাল সম্পদ জমা কৰে, তেনেলোক হয় ঘৃণাৰ পাত্ৰ। যি ঠাইত এনে গুণবোৰ সমাদৃত হৈছিল সেইখন আছিল প্ৰাচীন তামিলাকম। এই ৰাজ্যখন সম্বন্ধে আমি দ্বিতীয় অধ্যায়ত কিছু কথা জানিব পাৰিছোহঁক। প্ৰায় ২০০০ বছৰ পূৰ্বে এই ঠাইত ভালেমান

চৰ্দাৰ তথা ৰজাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য গঢ়ি উঠিছিল। আন সৎকৰ্মৰ উপৰিও এই ক্ষুদ্ৰ ৰজাসকলেও তেওঁলোকৰ গুণানুকীৰ্তন কৰা কবি আৰু চাৰণসকলৰ পৃষ্ঠপোষকতা কৰিছিল। লক্ষণীয়ভাৱে, অৰ্থনৈতিক আৰু সামাজিক সম্বন্ধৰ বিষয়ে প্ৰায়ে জ্ঞানৰ পোহৰৰ বিতৰণ কৰি অহা তামিল সঙ্গমৰ সংকল্প পুথিৰ কবিতাসমূহেও ধনী আৰু নিৰ্ধনীৰ মাজত বৈসাদৃশ্য থাকিলেও যিসকল লোকে সম্পদ নিয়ন্ত্ৰণ কৰে, তেওঁলোক উক্ত সম্বন্ধৰ অংশীদাৰ হ'ব বুলি আশা ৰাখিছে।

উৎস ৯

## দৰিদ্ৰ, দানশীল দলপতি

আনুমাণিক খ্ৰীষ্টীয় প্ৰথম শতিকাৰ তামিল সঙ্গম সাহিত্যৰ অন্তৰ্গত পুৰুনাৰৰ নামৰ এখন কবিতা সংকলনৰ পৰা এই কবিতাটো সংগৃহীত হৈছে আৰু ইয়াত এজন চাৰণে আন কেইজনমান কাব্যৰসিকক তেওঁৰ পৃষ্ঠপোষকজনৰ বিষয়ে এইদৰে বৰ্ণনা দিছে ঃ

আনৰ বাবে প্ৰতিদিনে উৰুৱাবলৈ তেওঁৰ নাই অৰ্থ
নোৱাৰে দীনহীনভাৱে ক'ব যে, দান দিবলৈ নাই সামৰ্থ!

তেওঁ থাকে ইৰানতাইত। দানশীল এইজনে
চাৰণৰ পেটৰ ক্ষুধাক শত্ৰু বুলি মানে!

পাতল ওঁঠৰ দক্ষ চাৰণসকল! আছে যদি প্ৰয়োজন
মোৰ সৈতে আহিবলৈ কৰা আয়োজন!
ভোকত শুকাই যোৱা বুকুৰ হাড় দেখুৱাও
চাওচোন তেওঁৰ পৰা কি আমি পাওঁ।


তেওঁ গ'ল গাঁৱৰ লোহাৰৰ ওচৰলৈ
সেই বলবানজনক কথা এটা ক'বলৈ ঃ
'দিয়া মোক যুঁজৰ দীঘল বৰ্শা এটা
মূৰত যাৰ আছে এটা পোন ধাৰাল চটা!

➲ দলপতি তথা পৃষ্ঠপোষকজনক দানশীল কৰিবলৈ চাৰণজনে কি কি কৌশল প্ৰয়োগ কৰিছে?

পৃষ্ঠপোষকে সম্পদ আৰ্জি তাৰ কিছু অংশ চাৰণসকলক দিবলৈ কি কৰিব বুলি আশা কৰা হৈছে?

➲ ভাস্কৰে দলপতি আৰু তেওঁৰ অনুগামীসকলৰ মাজত থকা বৈসাদৃশ্যসমূহ কেনেদৰে দেখুৱাইছে?

*নক্সা ৩.৭*
*দলপতি আৰু তেওঁৰ এজন অনুগামী-প্ৰস্তৰ ভাস্কৰ্য (আনুমাণিক খ্ৰীষ্টীয় দ্বিতীয় শতিকা, অন্ধ্ৰপ্ৰদেশৰ অমৰাৱতীত প্ৰাপ্ত*



### ➲ আলোচনা কৰা...

বৰ্তমান যুগৰ সমাজত সামাজিক সম্বন্ধসমূহ কিদৰে কাৰ্যকৰী কৰা হয়? পুৰণি পদ্ধতিৰ সৈতে ইয়াৰ কিবা সাদৃশ্য আৰু বৈসাদৃশ্য আছেনে?

## ৫. সামাজিক বৈসাদৃশ্যৰ ব্যাখ্যা

### সামাজিক চুক্তি

সামাজিক অসমতা আৰু যিবোৰ অনুষ্ঠান বা প্ৰতিষ্ঠানে সামাজিক সংঘাত নিয়ন্ত্ৰণ কৰে, সেইবোৰক সম্যকভাৱে বুজিবলৈ বৌদ্ধসকলেও এটা বিকল্প পথ উদ্ভাৱন কৰিছিল। সুত্ত পিটক নামৰ বৌদ্ধ গ্ৰন্থখনৰ এটা আখ্যানত কোৱা হৈছে যে, আদিতে মানৱ দেহৰ সম্পূৰ্ণ বিকাশ হোৱা নাছিল, নাইবা উদ্ভিদ জগতৰো পূৰ্ণতা প্ৰাপ্তি ঘটা নাছিল। সকলো জীৱ বাস কৰিছিল এটা জটিলতাহীন আৰু শান্তিপূৰ্ণ অৱস্থাত। প্ৰকৃতিৰ পৰা প্ৰতি সাজৰ বাবে তেওঁলোকে মাত্ৰ আৱশ্যকীয় সামগ্ৰীখিনিহে সংগ্ৰহ কৰিছিল।

কিন্তু দিন বাগৰাৰ লগে লগে মানুহবিলাক অধিক লোভী, প্ৰতিহিংসাপৰায়ণ আৰু প্ৰৱঞ্চক হৈ উঠাত পূৰ্বৰ এনে শান্তিপূৰ্ণ অৱস্থাৰ ক্ৰমাৎ অধোগতি হ'বলৈ ধৰিলে। এনে পৰিস্থিতিত মানুহে ভাবিবলৈ ল'লে— আমি কিয় এনে ব্যক্তি বাছি নুলিয়াওঁ, যেয়ে নীচ, অন্যায় কাৰ্য দেখিলে ক্ষোভিত হৈ ক্ৰুদ্ধ হ'বলগীয়াজনৰ ওপৰত ক্ৰুদ্ধ হ'ব, যেয়ে ভৰ্ৎসনা পাবলগীয়াজনকে ভৰ্ৎসনা কৰিব আৰু যাক দেশান্তৰী কৰিব লাগে তেওঁৰ দেশান্তৰী কৰিব? ইয়াৰ বিনিময়ত আমি তেওঁক আমাৰ দ্বাৰা উৎপাদিত চাউলৰ এটা অংশ দিম... মানুহে যিহেতু তেওঁক নিৰ্বাচিত কৰিব তেওঁ মহাসামন্ত তথা মহান নিৰ্বাচিতজন নামেৰে জনাজাত হ'ব।

উপৰোক্ত আলোচনাটোৰ পৰা এইটোৱে প্ৰতীয়মান হয় যে, মানুহৰ পচন্দক ভিত্তি কৰি ৰজাৰ প্ৰতিষ্ঠানটোৱে গঢ় লৈছিল আৰু মানুহে ৰজাই তেওঁলোকৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বাবে তেওঁক কৰ দিছিল। সেই দিশৰ পৰা কৰ আছিল ৰজাই সেৱাৰ বিনিময়ত লাভ কৰা প্ৰাপ্য। একে সময়তে, এইটোও জনা গ'ল যে, অৰ্থনৈতিক আৰু সামাজিক সম্বন্ধ নিৰ্মাণ আৰু বিধিবদ্ধ কৰাৰ ক্ষেত্ৰত মানৱ প্ৰতিনিধিজনৰ ভূমিকাকো স্বীকৃতি দিয়া হৈছে। ইয়াৰ বাহিৰে আন কিছুমান প্ৰয়োগ ফল আছে। উদাহৰণস্বৰূপে, যদি মানুহে কিছুমান পদ্ধতি সৃষ্টি কৰিছে, তেন্তে তেওঁলোকে ভৱিষ্যতে এনে পদ্ধতিসমূহ সলনি কৰিবও পাৰে।

## ৬. মূল পুথিৰ ব্যৱহাৰ

### কৃষিভিত্তিক প্ৰযুক্তিবিদ্যা

পাঠ্যপুথিসমূহত ব্যাখ্যা কৰোঁতে ঐতিহাসিকসকলে কিমানবোৰ বিষয় বিবেচনা কৰিব লাগে, সেইটো এই অধ্যায়ৰ উৎসসমূহত আকৌ এবাৰ চকু ফুৰাই চালে উপলব্ধি কৰিব পাৰিবা। পুথিসমূহত সম্ভৱতঃ সাধাৰণ লোকৰো বোধগম্য প্ৰাকৃত, পালি নে তামিল ভাষা ব্যৱহৃত হৈছে নে শিক্ষিত, উচ্চ শ্ৰেণী আৰু ব্ৰাহ্মণসকলৰ কাৰণে বিশেষভাৱে আছুতীয়া বুলি ভাষাহে ব্যৱহাৰ কৰা হৈছে, সেইটো তেওঁলোকে পৰীক্ষা কৰে। তদুপৰি পুথিসমূহনো কোন শ্ৰেণীত পৰে, সেইটোও তেওঁলোকে বিবেচনা কৰিব লাগে। এইবোৰ ধৰ্মীয় ক্ৰিয়া-কৰ্মৰ বিশেষজ্ঞসকলে আয়ত্ব কৰি মুখেৰে উচ্চাৰণ কৰা মন্ত্ৰৰ পুথি নে সচৰাচৰ মানুহে পঢ়া বা শুনা কাহিনীবোৰ মনোগ্ৰাহী হ'লে হৈইবোৰ পুণৰাই দোহোৰাই লিপিবদ্ধ কৰা আখ্যানৰ পুথি? ইয়াৰ বাহিৰে, ঐতিহাসিকসকলে যিসকল লোকৰ দূৰদৃষ্টি আৰু ধাৰণাৰ ওপৰত ভিত্তি কৰি পুথিখন ৰচিত হৈছে, সেই লেখকসকলৰ পৰিচয় বিচাৰি

উলিয়াবলৈ অহোপুৰুষাৰ্থ কৰে। মন কৰিবলগীয়া যে, যিহেতু পাঠ্য ৰচনাৰ কালত লেখকসকলে সাম্ভাব্য পুঢুৰৈ বা শ্ৰোতাৰ চিত্তাকৰ্ষক বিষয়টো মানসপটত ৰাখিহে সাহিত্য সৃষ্টি কৰে, সেইবাবে ঐতিহাসিকসকলেও তেনে শ্ৰোতা বা পঢুৱৈসকলৰ বিষয়েও জানিবলৈ চেষ্টা কৰে। তদুপৰি, পাঠ্যখনৰ ৰচনা বা সংকলনৰ সাম্ভাব্য চন-তাৰিখ আৰু সেইবোৰ ৰচনা কৰা স্থান সম্বন্ধেও তেওঁলোকে অনুসন্ধান চলায়। এই আটাইবোৰৰ মূল্যায়ন নিৰ্ধাৰণৰ পিছতহে তেওঁলোকে পাঠ্যখনৰ মূল পাঠ চালিজাৰি চাই, সেইবোৰৰ কিবা ঐতিহাসিক গুৰুত্ব আছে নেকি সন্ধান কৰে। সেইবাবে, তোমালোকেও নিশ্চয় কল্পনা কৰিছা যে, মহাভাৰতৰ দৰে মহাকাব্য এখনৰ ক্ষেত্ৰত ঐতিহাসিকসকলৰ এনেবোৰ দায়িত্ব কিমান জটিল!

## ৬.১ ভাষা আৰু বিষয়বস্তু

এতিয়া আমি মহাভাৰতৰ ভাষাটোনো কেনে চাওঁ আহা। মহাভাৰতৰ সংস্কৰণ বহুতো ভাষাত লিখি উলিওৱা হৈছে যদিও, আমি সংস্কৃতত লিখাখনৰ বিষয়টোহে আলোচনা কৰিম। অৱশ্যে, দ্বিতীয় অধ্যায়ত আলোচনা কৰা বেদ আৰু প্ৰশস্তিসমূহৰ সংস্কৃততকৈ মহাভাৰতৰ ভাষাটো বহুগুণে উজু। সম্ভৱতঃ সেইবাবেই এই মহাকাব্যখন বিস্তৃতভাৱে বোধগম্য হোৱা যেন দেখা যায়।

ঐতিহাসিকসকলে বৰ্তমানৰ মহাভাৰতখনৰ বিষয়বস্তুক দুটা শিতানত ভাগ কৰিছে— যিবোৰ খণ্ডত ইয়াৰ আৰ্হিমূলক সামাজিক আচৰণৰ বিষয়ে হিতোপদেশসমূহ সন্নিৱিষ্ট হৈছে, সেইবোৰক নাম দিয়া হৈছে শিক্ষাপ্ৰদ। কিন্তু এই শিতান দুটা একেবাৰে পানী নসৰকা বিধৰ নহয়, অৰ্থাৎ শিক্ষাপ্ৰদ শিতানত সততে বৰ্ণনামূলক আখ্যান আৰু বৃত্তান্তমূলক শিতানত সমাজৰ উদ্দেশ্যে শিক্ষাপ্ৰদ হিতোপদেশ থকা চকুত পৰে। প্ৰকৃতপক্ষে, মহাভাৰতখন এটা নাটকীয়, মৰ্মস্পৰ্শী কাহিনী হিচাপেহে পৰিৱেশন কৰিবলৈ বিচৰা হৈছিল আৰু সম্ভৱতঃ শিক্ষাপ্ৰদ শিতানতো সংযোজিত হৈছিল পৰৱৰ্তী কালতহে। এই মতামতটো ঐতিহাসিকসকলেও সমৰ্থ কৰিছে।

শিক্ষাপ্ৰদ পদ্ধতিটো যিকোনো নিৰ্দেশ বুজাবলৈ ব্যৱহৃত হয়।




*নক্সা ৩.৮*
*যুদ্ধক্ষেত্ৰত শ্ৰীকৃষ্ণই অৰ্জুনক উপদেশ দিয়াৰ দৃশ্য। এই চিত্ৰাঙ্কনখন ওঠৰ শতিকাৰ। সম্ভৱতঃ মহাভাৰতৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শিক্ষাপ্ৰদ খণ্ডটো হ'ল ভগৱৎ গীতা। গীতাত ভগৱান কৃষ্ণই অৰ্জুনক হিতোপদেশ দিছে। এই দৃশ্যটো চিত্ৰাঙ্কন আৰু ভাস্কৰ্যত সঘনে দৃষ্টিগোচৰ হয়।*

মন কৰিবলগীয়া যে প্ৰাচীন পৰম্পৰাগত সংস্কৃত সাহিত্যত মহাভাৰতক ইতিহাস হিচাপেহে ব্যৱহাৰ কৰা হৈছিল। ইয়াত সঘনে ব্যৱহৃত সংজ্ঞাটো হৈছে 'এইদৰে ই আছিল...।' সেই কাৰণে অনুবাদসমূহত মহাকাব্যখনক সাধাৰণভাৱে ইতিহাস আখ্যা দিয়া হৈছে। মহাভাৰতত স্মৰণ কৰা ধৰণে সঁচাকৈয়ে এখন যুদ্ধ হৈছিলনে? আমি এই বিষয়ে নিশ্চিত নহওঁ। কোনো কোনো ঐতিহাসিকে ভাবে যে আত্মীয়-স্বজনৰ ভিতৰত সংঘটিত কোনো এটা প্ৰকৃত বিবাদৰ স্মৃতিক বৃত্তান্তমূলক শিতানত সংৰক্ষিত কৰা হৈছে। অৱশ্যে, কোনো কোনোৱে আঙুলিয়াই দিছে যে, যুদ্ধখনৰ চাক্ষুস প্ৰমাণ থকা কোনো সাক্ষ্য নাই।

## ৬.২ লেখক (সকল) আৰু চন-তাৰিখ

কোনে মহাভাৰতখন লিখিছিল? এই প্ৰশ্নটোৰ উত্তৰ বহুত। যিমানদূৰ জনা যায় ইয়াৰ আদি ৰচক আছিল চাৰণ তথা বীণবৰাগীসকল। এওঁলোকে ক্ষত্ৰিয় ৰজাসকলৰ সৈতে ৰথত উঠি যুদ্ধক্ষেত্ৰলৈ গৈ তেওঁলোকৰ বিজয় আৰু অন্যান্য কৃতিত্বসমূহক প্ৰশংসা কৰি কবিতা তথা পদ্য ৰচনা কৰিছিল এই পদ্যবোৰ মুখে মুখে প্ৰচাৰিত হৈছিল। পিছত খ্ৰীষ্টপূৰ্ব পঞ্চম শতাব্দীমানৰ পৰাহে ব্ৰাহ্মণসকলে এই কাহিনীবোৰ দখল কৰি লিপিবদ্ধ কৰিবলৈ ল'লে। এই সময়ত কুৰু আৰু পাঞ্চালসকলৰ দৰে দলপতি বা তথাকথিত ৰজাৰ দ্বাৰা শাসিত ৰাজ্যসমূহ— যাৰ চাৰিওপাশে মহাভাৰতৰ মূল কাহিনীটো বিকশিত হৈছে, সেই ৰজাসকলৰ

নক্সা ৩.৯
লেখক গণেশ দেৱতা
প্ৰাচীন পৰম্পৰাগত সাহিত্যমতে ব্যাস মুনিয়ে গণেশ দেৱতাক মহাভাৰতৰ শ্ৰুতলিপি দিছিল। মহাভাৰতৰ ফাৰ্চী অনুবাদ পুথিৰ পৰা এই চিত্ৰাঙ্কন সংগ্ৰহ কৰা হৈছে (আনুমানিক ১৭৪০-৫০)।



ৰাজ্য ক্ৰমান্বয়ে ৰজাৰ দৰে শাসিত ৰাজ্যলৈ পৰ্যবসিত হৈছিল। নতুন ৰজাসকলৰ বহুতে তেওঁলোকৰ ইতিহাস সুপৰিকল্পিতভাৱে নিয়াৰিকৈ লিপিবদ্ধ আৰু সংৰক্ষিত কৰিবলৈ বিচাৰিছিল নেকি? এইটোও হ'ব পাৰে যে এনে ৰাজ্যসমূহ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যিধৰণৰ তোলপাৰ লগা হুলস্থুল পৰিৱেশে দেখা দিছিল— য'ত পুৰণি সামাজিক মূল্যবোধ কিছুমান নতুন ধাৰণাৰ দ্বাৰা স্থানচ্যুত হ'বলগীয়াত পৰিছিল, সেই বিষয়বস্তুবোৰো কাহিনীটোৰ কোনো কোনো স্থানত প্ৰতিফলিত হৈছে।

আনুমানিক খ্ৰীষ্টপূৰ্ব ২০০ৰ পৰা ২০০ খ্ৰীষ্টাব্দলৈ বিস্তৃত কালছোৱাৰ ভিতৰত আমি মহাভাৰতৰ ৰচনাৰ আন এটা পৰ্যায় লক্ষ্য কৰিছো। এই সময়ছোৱাতে বিষ্ণুদেৱতাৰ পূজাৰ ব্যাপকতা দিনে দিনে বৃদ্ধি পাইছিল আৰু মহাকাব্যখনৰ অন্যতম গুৰুত্বপূৰ্ণ চৰিত্ৰ শ্ৰীকৃষ্ণকোৰ বিষ্ণু বুলি চিনাক্তকৰণৰ এটা প্ৰয়াস চলিছিল। কালক্ৰমত আনুমাণিক ২০০-৪০০ খ্ৰীষ্টাব্দৰ ভিতৰত মনুস্মৃতিৰ সৈতে সামঞ্জস্য থকা বিৰাট একো একোটা শিক্ষাপ্ৰদ খণ্ড মূল মহাভাৰতত সংযোজিত হৈছিল। এনেবোৰ সংযোজনৰ ফলত যিখন পুথিৰ শ্লোকৰ সংখ্যা ১০,০০০ আছিল সেই সংখ্যা হ'লগৈ ১০০,০০০! এই বিৰাট আকাৰৰ পুথিখন পৰম্পৰাগত নিয়মানুসৰি ব্যাস নামৰ এজন সাধুৰ নামত শ্ৰদ্ধাসহকাৰে অৰ্পণ কৰা হ'ল।

## ৬.৩ সহধৰ্মিতাৰ পম খেদি

আন যিকোনো মহাকাব্যৰ দৰে মহাভাৰতেও যুদ্ধ, অৰণ্য, ৰাজপ্ৰাসাদ আৰু জনবসতিৰ এক প্ৰাণৱন্ত বিৱৰণ দিছে। ১৯৫১-৫২ চনত পুৰাতাত্ত্বিক বি বি লালে উত্তৰপ্ৰদেশৰ মিৰাটৰ অন্তৰ্গত হস্তিনাপুৰ নামৰ এখন গাঁৱত খনন কাৰ্য চলাইছিল। এইখনেই মহাভাৰতৰ হস্তিনাপুৰ নেকি বাৰু? নামৰ সামঞ্জস্যটো এটা কাকতালীয় ঘটনা বুলি ধৰিলেও এটা কথা মন কৰিব লাগিব যে, মহাভাৰতৰ কুৰু ৰাজ্যখন আছিল উজনি গঙ্গাৰ দোৱাৰ অঞ্চলত অৱস্থিত আৰু বৰ্তমানৰ খনন কাৰ্যৰ সৈতে জড়িত হস্তিনাপুৰখনৰো অৱস্থিতি আছিল সেই ঠাইতেই। সেইবাবে এইখনেই মহাকাব্যত উল্লেখিত কুৰুৰাজ্যৰ ৰাজধানী হস্তিনাপুৰ যেন অনুভৱ হয়।

লালে উক্তস্থানত পাঁচটা বৃত্তিগত স্তৰৰ প্ৰমাণ লাভ কৰিছে আৰু ইয়াৰ ভিতৰত দ্বিতীয় আৰু তৃতীয়টো আমাৰ বাবে কৌতুহলোদ্দীপক। দ্বিতীয় স্তৰটোৰ কাল আনুমানিক খ্ৰীষ্টপূৰ্ব দ্বাদশৰ পৰা সপ্তম শতিকালৈকে বিস্তৃত। এই স্তৰৰ ঘৰবোৰৰ বিষয়ে তেওঁ এইদৰে উল্লেখ কৰিছে— 'এতিয়ালৈকে যি এক সীমাবদ্ধ অঞ্চলত খনন কাৰ্য চলোৱা হৈছে সেই ঠাইৰ ঘৰবোৰ সজাৰ ক্ষেত্ৰত কোনো এক নিৰ্দিষ্ট আঁচনি আমাৰ চকুত পৰা নাই যদিও, শত্ৰুৰ হাতত সমুচিত সংগ্ৰামৰ বাবে সজা বোকামাটি নাইবা বোকামাটিৰ দ্বাৰা প্ৰস্তুত ইটাৰে সজা প্ৰাচীৰবোৰে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। স্পষ্টভাৱে ছাব তথা সাঁচ মৰা বোকামাটিৰ প্ৰলেপৰ আৱিস্কাৰৰ দ্বাৰা এইটোও প্ৰতীয়মান হয় যে, কিছুমান ঘৰত ইকৰা বা নল-খাগৰিৰ বেৰত বোকামাটিৰ লেপ দিয়া হৈছিল।' তৃতীয়টো স্তৰৰ কাল হ'ল আনুমানিক খ্ৰীষ্টপূৰ্ব ষষ্ঠৰ পৰা তৃতীয় শতিকাৰ অন্তৰ্গত। লালে দেখা মতে, 'এই সময়ছোৱাৰ ঘৰবোৰ নিৰ্মাণৰ বাবে বোকামাটি আৰু পোৰামাটি উভয়ৰে দ্বাৰা প্ৰস্তুত ইয়াৰ ব্যৱহাৰ হৈছিল। পেলনীয়া পানীবোৰ উলিয়াই নিবলৈ ব্যৱহৃত হৈছিল পানী শোহা টেকেলি আৰু ইটাৰ নলা। ইয়াৰ বাহিৰে কুঁৱা বা পানী

উৎস ১৫


## হস্তিনাপুৰ

মহাভাৰতৰ আদিপৰ্বত এই নগৰখনৰ বিষয়ে এইদৰে বৰ্ণনা দিয়া হৈছেঃ

মহাসাগৰৰ দৰে হো-হোৱাই থকা এই মহানগৰীখন আছিল শ শ অট্টালিকাৰে ভৰপূৰ। প্ৰৱেশদ্বাৰ, শাৰী শাৰী ধেনুভেৰীয়া তোৰণৰ তলেৰে যোৱা পথবোৰ আৰু নাতিদীৰ্ঘ দুৰ্গ-শিখৰ তথা মিনাৰেৰে সজ্জিত এই মহানগৰীখনে পুঞ্জীভূত ডাৱৰৰ দৰে একত্ৰিত হৈ মহান ইন্দ্ৰ দেৱতাৰ মহানগৰীৰ মহত্ব প্ৰকাশ কৰিছে।

➲ মূল মহাকাব্যৰ হস্তিনাপুৰৰ বৰ্ণনাৰ সৈতে খনন কাৰ্যযোগে বি বি লালে সংগ্ৰহ কৰা আৱিস্কাৰসমূহৰ কিবা সাদৃশ্য থকা বুলি তুমি ভাবানে?

নক্সা ৩.১০
হস্তিনাপুৰৰ খননস্থানত প্ৰাপ্ত এখন প্ৰাচীৰ



নিষ্কাষণৰ গাঁত হিচাপে ব্যৱহাৰ কৰিবলৈ পোৰামাটিৰ আঙুঠি (Ring) সাজি উলিওৱা হৈছিল।

মহাকাব্যখনৰ বৃত্তান্ত সম্পূৰ্ণকৈ ৰচনা কৰাৰ পিছত অৰ্থাৎ খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ পৰৱৰ্তী কালত সেই অঞ্চলত যেতিয়া নগৰ কেন্দ্ৰসমূহ ঠন ধৰি উঠিছিল, তেতিয়াহে মূল অংশটোৰ সৈতে নগৰৰ বৰ্ণনা সংযোজন কৰা হৈছিল নেকি বাৰু? নে ই এক উৰি ফুৰা কাব্যিক কল্পনা, যাৰ সত্যাসত্যা বিচাৰি সদায়েই আন আন সাক্ষ্যৰ সৈতে তুলনা কৰিব নোৱাৰি?

এতিয়া আন এটা উদাহৰণ বিবেচনা কৰো আহা। পাণ্ডৱৰ সৈতে দ্ৰৌপদীৰ বিবাহ মহাভাৰতৰ প্ৰত্যাহ্বানমূলক কাহিনীসমূহৰ অন্যতম আৰু বহুপতিৰ সৈতে বিবাহ সম্পন্নৰ এই ঘটনাটো হ'ল মহাকাব্যখনৰ বৰ্ণনাসমূহৰ কেন্দ্ৰবিন্দু। মহাকাব্যখনৰ খণ্ডসমূহ পৰীক্ষা কৰিলেও আমি দেখিম যে, গ্ৰন্থাকাৰ (সকলে) বিভিন্ন ধৰণে এই ঘটনাটো ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে।

উৎস ১৬

## দ্ৰৌপদীৰ বিবাহ

পাঞ্চালৰ ৰজা দ্ৰুপদে এখন প্ৰতিযোগিতাৰ আয়োজন কৰি ঘোষণা কৰিছিল যে, যিজন ব্যক্তিয়ে এটা নিৰ্দিষ্ট লক্ষ্যত ধনুৰে কাঁড় মাৰিব, সেইজন বিজয়ীলৈকে তেওঁৰ কন্যা দ্ৰৌপদীক বিয়া দিয়া হ'ব। সেইমতে, প্ৰতিযোগিতাত বিজয়ী অৰ্জুনক দ্ৰৌপদীয়ে মালা পিন্ধালে। দ্ৰৌপদীক লৈ পাণ্ডৱসকলে একেলগে মাকৰ ওচৰলৈ অহাত মাক কুন্তীয়ে তেওঁলোকক আনকি নেদেখাকৈয়ে যি আনিছে সেইটো ভগাই ল'বলৈ ক'লে। পিছত দ্ৰৌপদীক দেখি তেওঁ নিজৰ ভুলটো বুজি পালে যদিও, যিটো আদেশ মাতৃয়ে এবাৰ দিলে সেইটো লঙ্ঘন নহয় বাবে বহু আলোচনা-বিলোচনাৰ মূৰকত যুধিষ্ঠিৰে সিদ্ধান্ত ল'লে যে, দ্ৰৌপদী পাণ্ডৱ ভাতৃসকলৰ উমৈহতীয়া পত্নী হ'ব।

যেতিয়া দ্ৰুপদ ৰজাক এই বিষয়ে জনোৱা হ'ল তেতিয়া তেওঁ প্ৰতিবাদ জনালে। অৱশ্যে, ব্যাস মুনি আহি তেওঁক বুজনি দিলে যে, প্ৰকৃতপক্ষে পাণ্ডৱসকল হ'ল ইন্দ্ৰ দেৱতাৰ অৱতাৰ আৰু তেওঁৰ পত্নীয়ে যিহেতু দ্ৰৌপদীৰূপে পুনৰ জন্ম লৈছে, সেইহেতু তেওঁলোকৰ অদৃষ্টতেই নিয়তিয়ে এই মিলনৰ ব্যৱস্থা কৰি থৈছে।

ব্যাস মুনিয়ে সংযোজন কৰা আন এটা উদাহৰণ মতে, এবাৰ এগৰাকী যুৱতীয়ে স্বামী লাভৰ বাবে শিৱ দেৱতাক প্ৰাৰ্থনা কৰোতে উৎসাহৰ কোবত একেটা প্ৰাৰ্থনা এবাৰৰ ঠাইত পাঁচবাৰ কৰিলে। এই যুৱতীগৰাকীয়েই এতিয়া দ্ৰৌপদী হিচাপে জন্মগ্ৰহণ কৰাত শিৱই তেওঁৰ প্ৰাৰ্থনাবোৰ মঞ্জুৰ কৰিছে। এনে কাহিনীবোৰ শুনি অৱশেষত দ্ৰুপদ ৰজায়ো এই বিবাহত সন্মতি দিলে।

➲ লেখকসকলে এটা কাহিনীৰ বাবে কি কাৰণে তিনিটা ব্যাখ্যা দিছে বুলি তুমি ভাবা?

প্ৰাচীন লেখকসকলে যিহেতু বহু বৈধপতি প্ৰথাৰ উল্লেখ কৰিছে, সেইবাবে বৰ্তমানৰ লেখকসকলেও ভাবিবলৈ লৈছে যে, এসময়ত হয়তো শাসনত অধিষ্ঠিত উচ্চ শ্ৰেণীৰ জনা-বুজা লোকৰ মাজত এই প্ৰথাৰ প্ৰচলন থাকিবও পাৰে। আনহাতে, এইদৰে একে সময়তে বহু বৈধ পতি থকা সামাজিক ব্যৱস্থাটোৰ বিষয়ে ভিন ভিন ধৰণে ব্যাখ্যা কৰাও দেখা গৈছে (যেনে, উৎস ১৬)। এইবোৰ দেখি-শুনি এনে যেন লাগে যে, যিসকল ব্ৰাহ্মণে শ শ বছৰ ধৰি মহাকাব্যখনত হাত ফুৰাইছে, আনকি তেওঁলোকেও ক্ৰমশঃ এই প্ৰথাটোৰ প্ৰতি বিৰূপ ভাব পোষণ কৰিবলৈ লৈছে।

কোনো কোনো ঐতিহাসিকে মন কৰিছে যে, যদিও ব্ৰাহ্মণ্য দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে বহুপতি প্ৰথাটো আচহুৱা নাইবা অনুচিত যেন লাগে, ই হিমালয় অঞ্চলত প্ৰচলিত আছিল (আৰু এতিয়াও আছে)। বহুতো ঐতিহাসিকৰ মতে যুদ্ধ চলি থকা অৱস্থাত নাৰীৰ সংখ্যা হ্ৰাস ঘটাৰ বাবেও এই প্ৰথাৰ উদ্ভৱ হ'ব পাৰে। সৰল ভাষাত, দুৰ্যোগৰ পৰিস্থিতি সাপেক্ষে এই প্ৰথাৰ প্ৰচলন ঘটিছিল।

কিছুমান পুৰণি উৎসই এইদৰেও অনুভৱ কৰে যে, বহুপতি প্ৰথাটো একমাত্ৰ নাইবা আনকি অধিক প্ৰচলিত বিবাহ প্ৰথা নহয়। যদি সেয়ে হয়, তেন্তে মহাভাৰতৰ প্ৰধান চৰিত্ৰসমূহৰ সৈতে কিয় এই প্ৰথাটো সাঙোৰা হৈছে? আমি এইটোও মনত ৰখা উচিত যে, সৃষ্টিধৰ্মী সাহিত্যই নিজৰ বৰ্ণনামূলক আৱশ্যকতাসমূহ পুৰণাৰ্থে সকলো সময়তে বাস্তৱৰ সামাজিক সত্যতাক প্ৰতিফলিত নকৰে।

## ৭. এখন গতিশীল পাঠ্য

সংস্কৃত সংস্কৰণতেই মহাভাৰতৰ গতিৰ অন্ত পৰা নাই। জনসাধাৰণ, গোষ্ঠী আৰু লেখকসকলৰ মাজত প্ৰচলিত কিছুমান কথোপকথনৰ মাধ্যমেৰে বিভিন্ন ভাষাত মহাকাব্যখনৰ সংস্কৰণসমূহ প্ৰস্তুত কৰা হৈছে। কোনো কোনো একোটা বিশেষ অঞ্চলত উদ্ভৱ ঘটা আৰু নিৰ্দিষ্ট কিছুমান লোকৰ মাজত প্ৰচাৰিত কাহিনীয়েও ইয়াত ঠাই পাইছে। একে সময়তে মহাকাব্যৰ মূল কাহিনীটোও বিভিন্ন ধৰণে পুনৰাবৃত্তি কৰা দেখা গৈছে। ভাস্কৰ্য আৰু চিত্ৰাঙ্কনতো এনে কাহিনীবোৰ সোমাই পৰিছে। মহাকাব্যখনে নাটিকা, নৃত্য আৰু অন্য ধৰণৰ বিৱৰণীকে আদি কৰি প্ৰচলিত কলাৰ বাবে এক বহল ভিত্তিক বিষয়বস্তুৰো যোগান ধৰিছে।

**আলোচনা কৰা...**

পুথিখনৰ এইটো খণ্ডত প্ৰাপ্ত মহাভাৰতৰ উদ্ধৃতিসমূহ পুণৰ এবাৰ পঢ়ি চোৱা। ইয়াৰ প্ৰত্যেকটো ভালদৰে আলোচনা কৰি ইয়াক যিদৰে লিখা হৈছে, সেইটো শুদ্ধ বুলি ধৰিব পাৰিনে নোৱাৰি চালিজাৰি চোৱা। যিসকলে মহাকাব্যখন ৰচনা কৰিছে, তেওঁলোকৰ বিষয়ে এই উদ্ধৃতিসমূহে আমাক কিবা কৈছেনে? যিসকলে মহাকাব্যখন নিশ্চিতভাৱে পঢ়িছে নাইবা ইয়াৰ বিষয়ে শুনিছে তেওঁলোকৰ সম্বন্ধেও এই উদ্ধৃতিসমূহে আমাক কিবা অৱগত কৰিছে জানো?

এটি প্ৰচলিত কাহিনীক কি ধৰণে এক নতুন ৰূপ দিছে আমি চাওঁ আহা। এই বিশেষ উদাহৰণটোত মহাভাৰতৰ মূল কাহিনীৰ পৰা অলপ আঁতৰি আহি লেখিকাই সংস্কৃত পাঠ্যখনে নিমাত হৈ থকা কিছুমান বিকল্প সম্ভাৱনাৰ প্ৰশ্ন অৱতাৰণা কৰিছে।

সংস্কৃত পাঠ্যৰ বৰ্ণনা মতে, দুৰ্যোধৰে পাণ্ডৱসকলক প্ৰাণে মৰাৰ পৰিকল্পনাৰে তেওঁলোকক এটা বিশেষভাৱে লাৰে নিৰ্মিত ঘৰত থাকিবলৈ আমন্ত্ৰণ জনালে। পাণ্ডৱসকলে ঘৰটোত প্ৰৱেশ কৰাৰ পিছত তাত জুই লগাই দিয়াৰ আঁচনিও তৈয়াৰ কৰা হ'ল। কিন্তু এই ষড়যন্ত্ৰৰ বিষয়ে পূৰ্বতেই জানিব পাৰি পাণ্ডৱসকলে ঘৰটোত সোমায়েই পলাবৰ বাবে এটা সুৰঙ্গ খান্দি থ'লে। ইয়াৰ পিছত কুন্তীয়ে এই ঘৰটোতে এটা ভোজৰ আয়োজন কৰিলে। অধিকসংখ্যক নিমন্ত্ৰিত ব্যক্তিয়েই ব্ৰাহ্মণ আছিল যদিও, এগৰাকী নিষাদী তথা নিষাদ নাৰীয়ে তেওঁৰ পাঁচোটা পুত্ৰ সন্তানক লৈ ভোজলৈ আহিল। নিষাদ পৰিয়ালটোৱে হেঁপাহ পলুৱাই মদ্যপান কৰাৰ ফলত তেওঁলোকক অচিৰেই টোপনিয়ে হেঁচা মাৰি ধৰিলে। তেওঁলোকে টোপনিত লালকাল দিয়াত, পাণ্ডৱসকলে ঘৰটোত জুই লগাই দি নিজে পলাই গ'ল। পিছত সেই নিষাদীগৰাকী আৰু তেওঁৰ পাঁচ পুত্ৰৰ মৃতদেহ দেখি মানুহে পাণ্ডৱসকলৰ মৃত্যু ঘটিছে বুলি ধৰি ল'লে।

মহাভাৰতৰ এই কাহিনীটোৰ হঠাতে অন্ত পৰিছিল যদিও মহাশ্বেতাদেৱীৰ (কুন্তীহে নিষাদী' নামৰ কাহিনীটো এতিয়াহে আৰম্ভ হৈছিল। তেওঁৰ কাহিনীটোৰ পশ্চাদপট হৈছে এখন অৰণ্য আৰু মহাভাৰতৰ যুঁজৰ পিছত এইখন অৰণ্যতেই কুন্তীয়ে বিশ্ৰাম লৈছিল। যুঁজৰ অৱসান ঘটাত কুন্তীৰো স্মৃতি ৰোমন্থনৰ আহৰি ওলাল। এই সময়ছোৱাতে তেওঁ নিজৰ অকৃতকাৰ্যতা সম্বন্ধে নিজেই বিশ্লেষণ কৰিবলৈ ল'লে। এনে কথাবোৰ তেওঁ প্ৰকৃতিৰ মাতৃ পৃথিৱীক ক'বলৈ ধৰিলে। কুন্তীয়ে লক্ষ্য কৰিছিল যে, এগৰাকী নিষাদী সদায়েই অৰণ্যলৈ আহি খৰি, কাঠ, মৌ, লতা-উদ্ভিদৰ কন্দ, শিপা, আলু আদি সংগ্ৰহ কৰেহি। নিষাদীগৰাকীয়েও কুন্তীয়ে প্ৰায়ে একান্তমনে আই পৃথিৱীৰ উদ্দেশ্যে কথা কৈ থকা শুনিছিল।

এদিন বতাহত কিবা এটা বস্তু ওলোৱাত বনৰ পশু-পক্ষীবিলাক পলাবলৈ ধৰিলে। কুন্তীয়ে মন কৰিলে যে, নিষাদীগৰাকীয়ে একেথৰে তেওঁলৈকে চাই আছে। হঠাতে তাই উচপ খাই উঠি কুন্তীক লাৰে নিৰ্মিত ঘৰটোলৈ মনত পৰেনে বুলি সোধাত তেওঁ মনত পৰে বুলি উত্তৰ দিলে। তাই পুনৰ সুধিলে যে এগৰাকী বয়সস্থা নিষাদী আৰু তেওঁৰ পাঁচজন ডেকা পুত্ৰৰ কথা তেওঁৰ মনত আছেনে ?— এইটোও বাৰু মনত পৰেনে যে, তেওঁ তেওঁলোকক অজ্ঞান হোৱাকৈ মদ্যপান কৰাইছিল আৰু তেওঁলোকৰ তেনে অৱস্থা হোৱাত তেওঁ (কুন্তীয়ে) নিজ পুত্ৰকেইজনক লৈ পলাই গৈছিল। সেই নিষাদী... কুন্তীয়ে চিঞৰি উঠিল, 'তুমিয়েই সেই নিষাদী বুলি নক'বা।' নিষাদীয়ে তেতিয়া উত্তৰ দিলে যে, সেইদৰে হত্যা কৰা নিষাদীগৰাকী তেওঁৰ শাহুৱেকহে আছিল। তাই আকৌ কৈছিল যে, কুন্তীয়ে যেতিয়া তেওঁৰ অতীতৰ কথা ৰোমন্থন কৰে, তেতিয়া এবাৰো স্মৰণ নকৰে যে, থেওঁ নিজৰ আৰু নিজ পুত্ৰসকলক ৰক্ষা কৰিবলৈ গৈ ছজনকৈ নিৰ্দোষীৰ জীৱনৰ অন্ত পেলাইছিল! তেওঁলোকে এইদৰে কথা-বতৰা কৈ থাকোতে অৰণ্য জুইৰ লেলিহান শিখাবোৰ ওচৰ পালেহি— নিষাদীয়ে খৰখেদাকৈ নিৰাপদ স্থানলৈ আঁতৰি গ'ল, কিন্তু কুন্তী য'তে আছিল ত'তেই থিয় দি ৰ'ল...।

## সময়ৰেখা- ১
## পাৰম্পৰিক শিক্ষাৰ অধিক প্ৰয়োজনীয় মূলপাঠ

| আনুমানিক খ্ৰীষ্টপূৰ্ব | |
|---|---|
| 500 | পাণিনিৰ অষ্টাধ্যায়য়ি নামৰ ব্যাকৰণ পুথি |
| 500-200 | সংস্কৃত লিখা মূল ধৰ্মসূত্ৰসমূহ |
| 500-100 | পালি ভাষাত লিখা ত্ৰিপিতকে আদি কৰি প্ৰাচীন বৌদ্ধ পাঠ্যসমূহ |
| 500-400 (আনুমাণিক খ্ৰীষ্টপূৰ্ব-খ্ৰীষ্টাব্দ) | সংস্কৃতত ৰচিত ৰামায়ণ আৰু মহাভাৰত |
| 200-200 | সংস্কৃত ভাষাত লিখা মনুস্মৃতি; তামিল সঙ্গম সাহিত্যৰ সংযোজন আৰু চয়ন |
| 100 (আনুমাণিক খ্ৰীষ্টাব্দ) | সংস্কৃতত লিখা ঔষধৰ পুথি, চাৰক আৰু শশ্ৰুত সংহিতা |
| 200ৰ পৰা | সংস্কৃতত লিখা পুৰাণসমূহৰ সংকলন |
| 300 | নাট্যকলাৰ বিষয়ে ভাৰতৰ দ্বাৰা লেখিত নাট্যশাস্ত্ৰ (সংস্কৃতত লিখা) |
| 300-600 | সংস্কৃতত লিখা অন্যান্য ধৰ্মশাস্ত্ৰসমূহ |
| 400-500 | কালিদাসকে ধৰি বিভিন্ন নাট্যকাৰৰ সংস্কৃত নাটকসমূহ; আৰ্যভট্ট আৰু বৰাহমিহিৰৰ দ্বাৰা সংস্কৃত ভাষাত প্ৰস্তুত জ্যোৰ্তিবিদ্যা আৰু অঙ্কশাস্ত্ৰৰ পুথি আৰু প্ৰাকৃত ভাষাৰ জৈন পুথিৰ সংকলনসমূহ। |

## সময়ৰেখা- ২
## মহাভাৰত অধ্যয়নৰ ক্ষেত্ৰত প্ৰধান মাইলৰ খুঁটিসমূহ

| কুৰি শতিকা | |
|---|---|
| 1919-66 | মহাভাৰত সমালোচনামূলকভাৱে তাঙৰণৰ বাবে প্ৰস্তুতি আৰু প্ৰকাশ |
| 1973 | জে এ বি ভন বুইটেনেনয়ে মহাভাৰতৰ সমালোচনামূলক তাঙৰণৰ ইংৰাজী অনুবাদ আৰম্ভ কৰিছিল। কিন্তু ১৯৭৮ত তেওঁ মৃত্যুবৰণ কৰাত সেই কাম অসম্পূৰ্ণ হৈ ৰ'ল। |

## ১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ লিখা

১. পিতৃসূত্ৰ উত্তৰাধিকাৰী ব্যৱস্থাটো সৰ্বোত্তম পৰিয়ালসমূহৰ মাজত কি কাৰণে গুৰুত্বপূৰ্ণ? ব্যাখ্যা কৰা।

২. প্ৰাচীন ৰাজ্যসমূহৰ ৰজাসকল নিশ্চিতভাৱে ক্ষত্ৰিয় আছিলনে? আলোচনা কৰা।

৩. দ্ৰোণ, হিড়িম্বা আৰু মাতঙ্গৰ কাহিনীত বৰ্ণিত ধৰ্ম বা প্ৰচলিত নীতি-নিয়মসমূহৰ তুলনা কৰি ইয়াৰ বৈষম্যবোৰ উলিওৱা।

৪. বৌদ্ধ সামাজিক চুক্তিৰ সূত্ৰৰ সৈতে সমাজ সম্পৰ্কে পুৰুষসুক্তৰ ভিত্তিত গঢ় লোৱা ব্ৰাহ্মণ্য মতামতৰ কি কি প্ৰভেদ?

৫. নিম্নোলিখিত মহাভাৰতৰ উদ্ধৃতিটোত জ্যেষ্ঠতম পাণ্ডৱ যুধিষ্ঠিৰে বাৰ্তাবাহী সঞ্জয়ক সম্বোধন কৰি এইদৰে কৈছিল ঃ

সঞ্জয়, সকলো ব্ৰাহ্মণ আৰু ধৃতৰাষ্ট্ৰৰ পৰিয়ালৰ প্ৰধান পুৰোহিতক মোৰ সশ্ৰদ্ধ অভিনন্দন জনাবা। গুৰু দ্ৰোণাচাৰ্যলৈ মই নতশিৰে প্ৰণাম যাচিছো... আমাৰ দীক্ষাগুৰু কৃপাচাৰ্য (আৰু) কুৰুসকলৰ প্ৰধান মহামতি ভীষ্মক চৰণত ধৰি প্ৰণিপাত জনাইছো। বৃদ্ধ ৰজা (ধৃতৰাষ্ট্ৰ)ক নতশিৰে শ্ৰদ্ধা অৰ্পণ কৰিছো। অভিনন্দন সহকাৰে মই তেওঁৰ পুত্ৰ আৰু কনিষ্ঠ ভাতৃৰ স্বাস্থ্যৰ বা-বাতৰি লৈছো... আমাৰেই ভাতৃ, পুত্ৰ আৰু পৌপুত্ৰ আন আন কুৰু যুৱক যোদ্ধাসকলকো শুভেচ্ছা জনাইছো... এইসকলৰ উপৰি যিজন একেধাৰে আমাৰ পিতৃ-মাতৃস্বৰূপ সেইজন জ্ঞানী বিদুৰ (যাৰ এগৰাকী দাসীৰ ঔৰসত জন্ম)কো ভক্তি সহকাৰে জনাইছো প্ৰণাম... যিসকল আমাৰ মাতৃসম বয়োজ্যেষ্ঠা মহিলা তেওঁলোককো নতশিৰে জনাইছো নমস্কাৰ। পৰিয়ালৰ স্ত্ৰীসকলক মোৰ শুভেচ্ছা ক'বা যে তেওঁলোকে যাতে সুন্দৰকৈ সুৰক্ষিত হয় সেইটোকে কামনা কৰিছো... সৎ পৰিয়ালত জন্মগ্ৰহণ কৰা আৰু সু-সন্তানৰ মাতৃ আমাৰ বোৱাৰীসকলকো মোৰ হৈ শুভ সম্ভাষণ জ্ঞাপন কৰিবা, মোৰ হৈ আমাৰ জীয়ৰীসকলক মৰমেৰে সাবটি ধৰিবা... সুন্দৰী, সুগন্ধী আৰু চকুত লগা সাজপাৰ পৰিহিতা আমাৰ বীৰঙ্গনাসকলকো ওলগ জনাবা। দাসী আৰু তেওঁলোকৰ সন্তান, বয়োজ্যেষ্ঠ সকলো ব্যক্তি, পঙ্গু আৰু অক্ষমসকলকো মোৰ হৈ কুশল-মঙ্গল সুধিবা...

এই তালিকাখন প্ৰস্তুত কৰোতে বয়স, লিঙ্গ আৰু জ্ঞাতি ভিত্তিত গ্ৰহণ কৰা নিৰ্ণায়কসমূহ যত্নসহকাৰে চিনাক্ত কৰা। ইয়াৰ বাহিৰে আন কিবা নিৰ্ণায়ক থাকিব পাৰেনে? কি কাৰণবশতঃ প্ৰত্যেকটো শ্ৰেণীৰ বাবে তালিকাখনত একোটা নিৰ্দিষ্ট স্থান নিৰ্ণয় কৰা হৈছে, ব্যাখ্যা কৰা।

## নিম্নোলিখিত বিষয়বস্তুৰ ওপৰত এৰোখন চমু ৰচনা (প্ৰায় ৫০০ শব্দৰ) লিখা

৬. ভাৰতীয় সাহিত্যৰ প্ৰখ্যাত ঐতিহাসিক মৰিচ উইনটাৰনিটজ (Maurice Winternitz)য়ে মহাভাৰতৰ বিষয়ে এইদৰে উল্লেখ কৰিছে ঃ 'যিহেতু মহাভাৰতে অধিকতৰভাৱে এটা সম্পূৰ্ণ সাহিত্যক প্ৰতিনিধিত্ব কৰিছে... ইমানবোৰ আৰু ইমান ধৰণৰ বিষয় ইয়াত আছে... যে, ই আমাক ভাৰতীয় জনগণৰ আত্মাৰ অটল গভীৰতাৰ প্ৰতি এটা অৰ্ন্তদৃষ্টি দিছে।' এই মন্তব্যটিৰ ওপৰত আলোচনা কৰা।

৭. মহাভাৰতখন এজন লেখকৰ দ্বাৰা ৰচিত হ'ব পাৰে নেকি, আলোচনা কৰা।

৮. প্ৰাচীন সমাজত লিঙ্গ বৈষম্য কিমান গুৰুত্বপূৰ্ণ আছিল? যুক্তি-যুক্ততাৰ সৈতে উত্তৰ দিয়া।

৯. জ্ঞাতি আৰু বিবাহ সম্বন্ধে ব্ৰাহ্মণ্য নিৰ্দেশসমূহ সৰ্বাত্মকভাৱে গ্ৰহণ কৰা নহৈছিল বুলি দিয়া সাক্ষ্যৰ ওপৰত এটা আলোচনা আগবঢ়োৱা।

## মানচিত্ৰৰ কাম

১০. এই অধ্যায়ৰ মানচিত্ৰখন দ্বিতীয় অধ্যায়ৰ এক নম্বৰ মানচিত্ৰৰ সৈতে ৰিজাই চোৱা। মহাজনপদ আৰু কুৰু-পাণ্ডুৱ অঞ্চলৰ ওচৰে-পাজৰে থকা মহানগৰসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

## যিকোনো এটা প্ৰকল্প প্ৰস্তুত কৰা

১১. অন্যান্য ভাষাত মহাভাৰতৰ কাহিনীটো কিধৰণে পুনৰ কথিত হৈছে, বিচাৰি উলিওৱা। এই অধ্যায়ৰ পাঠ্যত বৰ্ণিত যিকোনো দুটা ঘটনাক তেওঁলোকে কেনে ধৰণে ব্যৱহাৰ কৰিছে আৰু এইক্ষেত্ৰত তোমাৰ দৃষ্টিগোচৰ হোৱা সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ চালিজাৰি চাই প্ৰশ্নটো বহলভাৱে আলোচনা কৰা।

১২. নিজকে এজন লেখক হিচাপে কল্পনা কৰি একলব্যৰ কাহিনীটো তোমাৰ পচন্দৰ দৃষ্টিকোণৰ পৰা পুনৰাই লিখা।

**যদি তুমি অধিক জানিবলৈ আগ্ৰহ কৰা, তেন্তে অধ্যয়ন কৰা ঃ**

Uma Chakravarti. 2006.
*Everyday Lives, Everyday Historic.*
Tulika, New Delhi.

Irawati Karve. 1968.
*Kinship Organisation in India.*
Asia Publishing House, Bombay.

R.S. Sharma. 1983.
*Perspectives in Social and Economic History of Early India.*
Munshiram Manoharlal, New Delhi

V.S. Sukthankar. 1975
*On the Meaning on the Mababharata.* Asiatic Society of Bombay, Bombay.

Romila Thapar. 2000.
*Cultural Pasts : Essays in Early Indian History.* Oxford University Press, New Delhi.

**অধিক তথ্য আহৰণৰ বাবে তলত দিয়া ঠিকনালৈ আহিব পাৰিবা ঃ**

http:/bombay.indology.info/mahabharata/statement.html